ইতিহাসৰ আদিপাঠ

# দেশ বিভাজন

অন্বেষা সেনগুপ্ত

অনুবাদ – অৰূপ কলিতা

ছবি

ৰঞ্জিত চিত্ৰকৰ

সিৰাজউদ্দৌলা চিত্ৰকৰ

DSK

ROSA LUXEMBURG STIFTUNG SOUTH ASIA

# ইতিহাসৰ আদিপাঠ: দেশ বিভাজন

ৰচনা – অন্বেষা সেনগুপ্ত
অনুবাদ – অৰূপ কলিতা

কলকাতা, মাৰ্চ ২০২৩

ইতিহাসৰ আদিপাঠ : দেশ বিভাজন
কলকাতা, মাৰ্চ ২০২৩
ৰচনা – অন্বেষা সেনগুপ্ত
অনুবাদ – অৰূপ কলিতা
সম্পাদনা – অন্বেষা সেনগুপ্ত, দেবাৰতি বাগচী
ছবি – ৰঞ্জিত চিত্ৰকৰ, সিৰাজউদ্দৌলা চিত্ৰকৰ
বেটুপাত, মানচিত্ৰ আৰু পৰিকল্পনা – ৰাছিম হেলাল
মুদ্ৰণ – এছ এছ প্ৰিণ্ট, ৮ নৰসিংহ লেন, ৰাজা ৰামমোহন ৰয় সৰণি, কলকাতা – ৭০০০০৯
প্ৰকাশক – ইনষ্টিটিউট অৱ ডেভ'লপমেণ্ট ষ্টাডিজ কলকাতা,
২৭/ডি, ডি ডি ব্লক, চেক্টৰ ১, বিধাননগৰ, কলকাতা, পশ্চিমবংগ -৭০০০৬৪
ৱেবছাইট – www.idsk.edu.in
idsk@idskmail.com/ office@idsk.edu.in

আৰ্থিক সহযোগ – ৰোজা লুক্সেমবাৰ্গ ষ্টিফটুঙ, লায়েছন অফিচ, নতুন দিল্লী
চি -১৫, এছ ডি এ মাৰ্কেট, নতুন দিল্লী – ১১০০১৬, ভাৰত
ৱেবছাইট – https://www.rosalux.in
ই মেইল – south-asia@rosalux.org

এই কিতাপখন শিক্ষা জগতৰ লগত জড়িত বিভিন্ন চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠান, নীতি নিৰ্ধাৰক সংস্থা, সংবাদ মাধ্যম, শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ দিয়া হ'ব।

This publication is sponsored by the Rosa Luxemburg Stiftung with grants from the Federal Ministry for Economic Cooperation and Development of the Federal Republic of Germany. This publication or parts of it can be used by others for free as long as they provide a proper reference to the original publication.
The content of the publication is the sole responsibility of the partner and does not necessarily reflect a position of RLS.

# সূচীপত্ৰ


| | |
|---|---|
| ১। ভাৰত-পাকিস্তান | ৭ |
| ২। দেশ বিভাজনৰ হিচাপ-নিকাচ | ১৯ |
| ৩। ৰেডক্লিফ চাহাবৰ ছুৰি | ২৫ |
| ৪। ভাত-ৰুটী আৰু এৰি অহা দেশ | ৩১ |
| ৫। বীথি বাইদেউৰ কথা | ৩৯ |
| ৬। সমুদ্ৰ যাত্ৰা | ৪৫ |
| ৭। শেষৰ কথা | ৫১ |




গার্ডিয়ান কাকতত ১৯৪৭ চনৰ ১৫ আগষ্টত প্ৰকাশিত মানচিত্ৰ অনুসৰি আঁকা

# ইতিহাসৰ আদিপাঠ: দেশ বিভাজন



## (১) ভাৰত – পাকিস্তান

১৯৪৭ চনৰ আগষ্ট মাহ। ১৪ আৰু ১৫ আগষ্ট আছিল দুটা বিশেষ দিন। এই দিন দুটাত ওচৰা-ওচৰিকৈ দুখন দেশ স্বাধীন হৈছিল। এখন দেশৰ নাম ভাৰত আৰু আনখন হ'ল পাকিস্তান। আজিৰ পাকিস্তানৰ সৈতে অৱশ্যে ১৯৪৭ চনৰ পাকিস্তানৰ কোনো মিল নাছিল। পাকিস্তান তেতিয়া দুটা ভাগত বিভক্ত। পূৱ দিশে এটা অংশ আৰু আনটো অংশ পশ্চিমত। পূৱ দিশত থকা ঠাইখনেই ১৯৭১ চনত পাকিস্তানৰ পৰা পৃথক হৈ সৃষ্টি হৈছিল বাংলাদেশৰ।

ভাৰত আৰু পাকিস্তান গঠন হোৱাৰ পূৰ্বে প্ৰায় দুশ বছৰ জুৰি এই গোটেই ঠাইখিনিত ৰাজত্ব আছিল বৃটিছ চাহাবসকলৰ। সমগ্ৰ ঠাইখিনি পৰিচিত আছিল ভাৰত বা ইণ্ডিয়া নামেৰে। বৃটিছসকল অহাৰ পূৰ্বে এই অঞ্চলত সকলোতকৈ শক্তিশালী আছিল মোগল বাদছাহসকল। তেওঁলোকৰ ভিতৰত আছিল –সম্ৰাট বাবৰ, তেওঁৰ পুত্ৰ হুমায়ুন, নাতিয়েক আকবৰ, আজোনাতি ছাহজাহান আৰু তেওঁলোকৰ বংশধৰসকল। বৃটিছসকল যেতিয়া আহিল, তেতিয়ালৈকে মোগলৰ শক্তি বহুত কমিছে আৰু নানান ঠাইত স্থানীয় ৰজা – জমিদাৰসকলে সৰু সৰুকৈ ৰাজত্ব কৰিবলৈ আৰম্ভ কৰিছে। বৃটিছ চাহাবসকল ভাৰতলৈ অহাৰ পাছত নতুনকৈ সজোৱা হ'ল দেশৰ শাসন ব্যৱস্থা। এজনৰ পাছত আনজন ৰজাৰ ৰাজত্ব গ'ল। মোগল সম্ৰাটৰো দিল্লীৰ ৰাজত্ব গ'ল। গজগজীয়া হৈ বহিল বৰলাট, সৰুলাট আৰু তেওঁলোকৰ সহকাৰীসকল। সকলোৰে ওপৰত থাকিল বৃটিছ ৰজা –ৰাণী। তেওঁলোকে অৱশ্যে ইংলেণ্ডৰ পৰাই এই দেশৰ খবৰ ৰাখিছিল।

বৃটিছ শাসনকালত ভাৰতৰ মানুহ নানান কাৰণত ভালে – কুশলে থাকিব পৰা নাছিল। তেওঁলোকে বিচাৰিছিল যে কোনো বিদেশী মানুহে নহয় নিজ দেশৰ মানুহেই দেশ চলাওক।বহুদিন ধৰি মানুহক সংগঠিত কৰি, ৰাস্তাত সমদল উলিয়াই, নানান প্ৰকাৰৰ আন্দোলনৰ কৰি, বন্ধ আদিৰ আহ্বান জনাই ভাৰতৰ জনতা বৃটিছ শাসনৰ পৰা মুক্ত হৈছিল আৰু দেশে লাভ কৰিছিল স্বাধীনতা। কিন্তু স্বাধীনতাৰ সময়ত বৃটিছ শাসিত ভাৰত বিভাজিত হৈ কিয় দুখন দেশৰ সৃষ্টি হ'ল। সেই কাহিনীটোকে এতিয়া ক'বলৈ লৈছো।

বৃটিছে যেতিয়া ভাৰত শাসন কৰিছিল, তেতিয়া ভাৰতৰ মানুহে নিজৰ দাবী পূৰণ কৰিবৰ বাবে আৰু নিজৰ যুঁজ শক্তিশালী কৰিবৰ বাবে নানান দল গঠন কৰিছিল। ১৯৮৫ চনত জন্ম হৈছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ, যিটো দল আমাৰ দেশৰ ৰাজনীতিত আজিও গুৰুত্বপূৰ্ণ। ১৯০৬ চনত গঠন হৈছিল মুছলীম লীগ নামৰ আন এটা দল। এই দল দুটাৰ বিদ্বেষ আৰু মনোমালিন্যৰ মাজতেই পণ্ডিতসকলে বৃটিছ শাসিত ভাৰত ভাগ হোৱাৰ কাৰণ বিচাৰি পাইছে।

আৰম্ভণিৰে পৰাই লীগ আৰু কংগ্ৰেছৰ মাজত আছিল বিৰোধিতা। মৌলানা আব্দুল কালাম আজাদৰ দৰে কিছুসংখ্যক মুছলমান নেতা কংগ্ৰেছত আছিল ঠিকেই কিন্তু বাস্তৱত প্ৰায় সমগ্ৰ কংগ্ৰেছ দল হিন্দু নেতা – কৰ্মীৰে গঠিত হৈছিল। কংগ্ৰেছ নেতাসকলে বাৰম্বাৰ কৈছিল যে তেওঁলোকৰ দলৰ দুৱাৰ সকলোৰে বাবে খোলা আৰু তেওঁলোক দেশৰ সকলো মানুহৰ প্ৰতিনিধি। পিছে যি কাৰণতেই নহওঁক, তেওঁলোকৰ সৈতে মুছলমান সমাজৰ দূৰত্ব সকলো

সময়তেই আছিল। আনহাতে, নামটো শুনিয়েই নিশ্চয় বুজিছা যে লীগ আছিল মুছলমান সকলৰ দল।

আমাৰ এই উপ মহাদেশত হিন্দু – মুছলমানসকলে যুগ যুগ ধৰি একেলগে বাস কৰি আহিছে। তেওঁলোকৰ মাজত মিলাপ্ৰীতি আৰু ভালপোৱাৰো অন্ত নাই। মোগল বাদছাহসকল আছিল মুছলমান আৰু তেওঁলোকৰ প্ৰজাসকল আছিল দুয়ো ধৰ্মৰে মানুহ। কোনো কোনো বাদছাহে নিজৰ ধৰ্মৰ প্ৰজাসকলক অলপ বেছি সুযোগ সুবিধা দিলেও বহুতেই কিন্তু সকলোকে সমান চকুৰে চাইছিল। অৱশ্যে চিৰকালেই এই দুই ধৰ্মৰ মানুহৰ মাজত এনে কোনো কোনো লোক আছিল, যিয়ে নিজ ধৰ্মকে শ্ৰেষ্ঠ ধৰ্ম বুলি ভাবিছিল। আনৰ আচাৰ – ব্যৱহাৰ, পূজা – পাৰ্বনত তেওঁলোকে বাধা দিছিল।বৃটিছ যুগৰ ইতিহাস টানি আনিও কোনোবা কোনোবা মুছলমানে কৈছিল যে ভাৰতত আকৌ মোগল শাসনৰ দৰকাৰ। আকৌ কোনোবা কোনোবা হিন্দুৱে ভাবিছিল যে মোগলো বৃটিছৰ দৰেই বিদেশী। একমাত্ৰ হিন্দুসকলহে প্ৰকৃত ভাৰতীয়।

আৰু এটা সমস্যা আছিল।বৃটিছ শাসিত ভাৰতত য'ত একো একোটা ধৰ্মৰ মানুহৰ সংখ্যা , ক্ষমতা , টকা পইচা বেছি আছিল, তাত তেওঁলোকে বহুসময়ত সমাজৰ দুৰ্বল লোকসকলৰ ওপৰত নানা অত্যাচাৰ কৰিছিল। পূৰ্ব বংগৰ কথাকেই কওঁ–আজি যাৰ নাম বাংলাদেশ। ইয়াত বৃটিছ যুগত বেছিভাগ জমিদাৰেই আছিল উচ্চ জাতিৰ হিন্দু। আৰু কৃষকসকল আছিল মূলত: মুছলমান আৰু নিম্নজাতিৰ হিন্দু। জমিদাৰসকলে তেওঁলোকৰ প্ৰজাসকলক নানান ধৰণে

অত্যাচাৰ কৰিছিল। অন্যায়ভাৱে টকা লৈছিল, দিনে ৰাতিয়ে কাম কৰাইছিল, জাত পাতৰ দোহাই দি ঘৰত সোমোৱাত বাধা দিছিল, তেওঁলোকৰ হাতেৰে আনকি পানীও খোৱা নাছিল। কৃষকসকলৰ এইবোৰ কাৰণত বহুত খঙ উঠিছিল আৰু মাজে মাজে একলগ হৈ প্ৰতিবাদো কৰিছিল। মুছলমান কৃষকৰ যেতিয়া হিন্দু জমিদাৰৰ সৈতে কাজিয়া লাগিছিল, সেয়া যেনেকৈ হিন্দু- মুছলমানৰ যুদ্ধ আছিল, তেনেকৈয়ে আছিল কৃষক – জমিদাৰৰো যুদ্ধ। মুঠৰ ওপৰত নানান কাৰণত নানান সময়ত দেশৰ নানান ঠাইত হিন্দু – মুছলমানৰ মাজত অশান্তি হৈছিল।

বৃটিছ চৰকাৰেও এই কাজিয়াত উচটনি যোগাইছিল। তেওঁলোকে জানিছিল যে দেশৰ হিন্দু মুছলমানসকল তেওঁলোকৰ বিৰুদ্ধে একগোট হ'লে বিপদ হ'ব। যিমানদিনলৈ দেশৰ মানুহে নিজৰ মাজত কাজিয়া কৰি থাকিব, সিমানদিনলৈ তেওঁলোকে চাহাব খেদিবলৈ মন নকৰিব। যিহেতু হিন্দু – মুছলমানৰ মাজত কাজিয়া লাগিয়েই থাকিছিল, সেইবাবেই কংগ্ৰেছ আৰু লীগৰ মাজতো আছিল প্ৰতিযোগিতা। কাজিয়া লাগিলেও কিন্তু হিন্দু আৰু মুছলমানৰ মাজত সম্প্ৰীতি সমন্বয়ৰো অভাৱ নাছিল। কংগ্ৰেছৰ নেতা মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু বা মুছলীম লীগৰ নেতা মহম্মদ আলী জিন্না, বাংলাৰ আৰু এজন গুৰুত্বপূৰ্ণ নেতা ফজলুল হকে কিন্তু হিন্দু – মুছলমানৰ মাজৰ কাজিয়া মুঠেও ভাল পোৱা নাছিল। ধৰ্মৰ নামত হোৱা মাৰামাৰি – কটাকটিবোৰকো ভাল চকুৰে চোৱা নাছিল। বৃটিছ বিৰোধী যুঁজত বহু সময়ত এইসকল নেতা বা তেওঁলোকৰ দল একজোঁট হৈয়েই অৱতীৰ্ণ হৈছিল।

পিছে এই ছবি সলনি হ'বলৈ ধৰিলে ১৯৩৫ চনৰ পৰা। সেই বছৰত বৃটিছ চৰকাৰে দেশত কিছু নতুন নিয়মৰ প্ৰৱৰ্তন কৰিলে। সেইসমূহ নিয়মক সমূহীয়াকৈ কোৱা হয় 'ভাৰত শাসন আইন, ১৯৩৫ '। এই আইনৰ অধীনত দেশ চলোৱাৰ বাবে ভাৰতীয়সকলৰ হাতত আগতকৈ বহুত বেছি ক্ষমতা দিয়া হয়। কেনেকুৱা আছিল সেই ক্ষমতা? এই আইন প্ৰচলন হোৱাৰ আগতেও  কিছুসংখ্যক ভাৰতীয়ই ভোটদান কৰিব পাৰিছিল। কিন্তু তেতিয়া বহুত বেছি বাছ বিচাৰ কৰি ঠিক কৰা হৈছিল যে কোন ভোট দিয়াৰ যোগ্য হ'ব পাৰিব আৰু কোনে ভোট দিব নোৱাৰিব। ১৯৩৫ চনৰ আইনত কোৱা হ'ল যে ২১ বছৰ বা তাতোকৈ বেছি বয়সৰ ভাৰতীয়ৰ নিজৰ নামত মাটি, ঘৰ বা তেনে কিবা সম্পত্তি থাকিলে, তেওঁলোকে ভোট দিব পাৰিব। এই যে ভোটৰ কথা কৈছো, এই ভোটত ভাৰতীয়সকলেই উঠিছিল।অৱশ্যে ৰাজ্যত গভৰ্ণৰ চাহাব আৰু দিল্লীত বৰলাট চাহাবৰ তুলনাত ভোটত জিকি অহা ভাৰতীয়সকলৰ ক্ষমতা তেতিয়াও বহুত কম আছিল।

আৰু এটা কথা কৈ থও, বৃটিছ ভাৰতত চেপাৰেট ইলেক্টোৰেট বা পৃথক নিৰ্বাচকমণ্ডলী বুলি বিষয় এটা আছিল।চেপাৰেট বা পৃথক মানে হ'ল বেলেগ আৰু ইলেক্টোৰেট বা নিৰ্বাচকমণ্ডলী মানে ভোট দিয়াৰ অধিকাৰ থকা লোকসকল বা ভোটাৰ।। ধৰ্ম আৰু জাতিৰ পৰিচয়ক সন্মুখত ৰাখি পৃথক পৃথক ভোটাৰৰ দল তৈয়াৰ কৰা হ'ল। ইয়াকেই কোৱা হ'ল পৃথক নিৰ্বাচক মণ্ডলী বা চেপাৰেট ইলেক্টোৰেট বুলি। মানে মুছলমান ভোটাৰৰ বেলেগ দল আৰু হিন্দু ভোটাৰৰ

বেলেগ দল। হিন্দু নিৰ্বাচকমণ্ডলীয়ে কেৱল হিন্দু নেতাসকলকহে ভোট দিব পাৰিব আৰু মুছলমান নিৰ্বাচক মণ্ডলীয়ে কেৱল মুছলমান নেতাসকলকহে ভোটদান কৰিব পাৰিব। এয়াই আছিল তেতিয়াৰ নিয়ম। কংগ্ৰেছ আছিল পৃথক নিৰ্বাচকমণ্ডলীৰ বিৰুদ্ধে আৰু লীগ আছিল উক্ত ব্যৱস্থাৰ সপক্ষে। কিয় দুয়োটা দলৰ মাজত এই মতবিৰোধ আছিল, তাকেই অলপ বুজাই ক'ব বিচাৰিছো।

নানান কাৰণত বৃটিছ যুগত হিন্দুসকলৰ তুলনাত মুছলমানসকল লিখা পঢ়া, চাকৰিৰ জগত আৰু ৰাজনীতিৰ মঞ্চত পাছপৰি আছিল। এই পাৰ্থক্য নোহোৱা কৰিবৰ বাবে মহম্মদ আলী জিন্নাই মুছলমান সমাজৰ কথা ক'ব পৰা ভাল নেতাসকল ভোটত জিকি অহাটো দৰকাৰী বুলি ভাবিছিল। মুছলমান নেতাসকলেই মুছলমানসকলৰ ভাল – বেয়া বুজি পাব, আন কোনেও বুজিব নোৱাৰিব। মুছলমান সমাজে কাক তেওঁলোকৰ নেতা হিচাপে নিৰ্বাচিত কৰিব বিচাৰে, সেয়া বুজি পাবলৈ পৃথক নিৰ্বাচক মণ্ডলী তৈয়াৰ কৰাটোহে একমাত্ৰ উপায়।

কংগ্ৰেছ নেতাসকলে পাছপৰা নানান ধৰ্ম বা জাতিৰ লোকসকলৰ বাবে পৃথক নিৰ্বাচকমণ্ডলীৰ দাবী কেতিয়াও মানি লোৱা নাছিল। তেওঁলোকে বৃটিছ সকলক ভাৰতীয়ৰ আচল শত্ৰু বুলি বিবেচনা কৰিছিল। সকলোৱে আগতে একলগ হৈ বৃটিছক খেদিব লাগিব। নিজৰ দাবীদাবা, পোৱা – নোপোৱাৰ হিচাপ হ'ব পাছত। এই কামত কোনে পথ দেখুৱাব, সেয়া সকলোৱে মিলি ঠিক কৰা উচিত। হিন্দুসকলৰ বেলেগ বেলেগ নেতা, মুছলমানসকলৰ বেলেগ, এনে হোৱা

উচিত নহয়। বৃটিছ ভাৰতৰ দলিত সমাজৰ আটাইতকৈ ডাঙৰ নেতা বাবাচাহেব ভীমৰাও আম্বেদকাৰেও কিন্তু জিন্নাৰ দৰে একে যুক্তিতে দলিতসকলৰ বাবে পৃথক নিৰ্বাচকমণ্ডলী বিচাৰিছিল। হিন্দু সমাজত যিসকলক 'নিম্ন জাতি' হিচাপে চোৱা হৈছিল, তেওঁলোকে নিজকে দলিত বুলি কৈছিল। গান্ধীজীয়ে এওঁলোককেই কৈছিল হৰিজন বা ভগৱানৰ মানুহ বুলি। গান্ধীজীৰ বিৰোধিতাৰ বাবে দলিত সমাজৰ পৃথক নিৰ্বাচক মণ্ডলীৰ দাবীৰ পৰা অৱশেষত আম্বেদকাৰ আঁতৰি আহিবলৈ বাধ্য হয়।

ভাৰত শাসন আইন প্ৰণয়ন হোৱাৰ পাছত দেশৰ প্ৰদেশসমূহত প্ৰথম নিৰ্বাচন অনুষ্ঠিত হৈছিল ১৯৩৭ চনত। সেই ভোটত সকলো ঠাইতে কংগ্ৰেছ জিকিল। লীগৰ ফলাফল একেবাৰেই ভাল নহ'ল। দেশৰ নানান ঠাইত মুছলিম নিৰ্বাচকমণ্ডলীয়েও লীগৰ প্ৰাৰ্থীক ভোট নিদি কংগ্ৰেছৰ প্ৰাৰ্থীক ভোট দিলে। ভোটৰ ফলাফল দেখি সচাঁকৈয়েই এনে লাগিল যে কংগ্ৰেছ সকলো ধৰ্মৰ মানুহৰ দল। লীগক যেন মুছলমানসকলেও বিশেষ পছন্দ নকৰে। ইয়াৰ পাছত কংগ্ৰেছৰ বিৰাট অহংকাৰ হ'ল। নেহৰুৱে ক'লে যে ভাৰতবৰ্ষত কংগ্ৰেছ আৰু বৃটিছ চৰকাৰ এই দুটাই দল। লীগৰ কোনো গুৰুত্ব নাই। এনে কথাত খঙত, দুখত ভাঙি পৰিল জিন্না। বিভিন্ন প্ৰদেশৰ মুছলমানসকলেও কংগ্ৰেছৰ অহংকাৰ দেখি লাহে লাহে ভয় খাবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ বহুতেই কংগ্ৰেছক ভোট দিছিল ঠিকেই কিন্তু প্ৰিয় নেতা জিন্নাৰ প্ৰতি কংগ্ৰেছৰ এনে ব্যৱহাৰ ভাল পোৱা নাছিল। আগতেই কৈ আহিছো যে কংগ্ৰেছ দলৰ বেছিসংখ্যক

নেতাই আছিল হিন্দু ধৰ্মালম্বী আৰু মুছলমান নেতাৰ সংখ্যা আছিল তাকৰ। সেয়েহে দেশৰ মুছলমানসকলৰ মনত ভয় সোমাল যে এইবাৰৰ পৰা তেওঁলোকৰ দুজন মালিক হ'ব –বৃটিছ চাহাব আৰু কংগ্ৰেছী বাবু। বহু ইতিহাসবিদে কয় যে দেশবিভাজনৰ কাৰণ লুকাই আছে ১৯৩৭ ৰ নিৰ্বাচনতেই। এই সময়ৰ পৰাই জিন্নাই বুজিলে যে কংগ্ৰেছৰ লগত বুজাপৰা সম্ভৱ নহয়। লীগক আকৌ থিয় কৰাব লাগিব। শক্তিশালী কৰি তুলিব লাগিব আৰু মুছলমানসকলক ক্ষমতাত অধিষ্ঠিত কৰিব লাগিব।

পাকিস্তান তৈয়াৰ কৰাৰ কথা তেতিয়াও জিন্না তথা অন্যান্য মুছলমানসকলৰ মূৰত খেলোৱা নাছিল। তাৰ তিনি বছৰ পাছত, ১৯৪০ চনত লাহোৰত লীগৰ অধিৱেশনত প্ৰথমবাৰ মুছলমানৰ বাবে পৃথক দেশ তৈয়াৰ কৰাৰ কথা উত্থাপণ কৰা হ'ল। অৱশ্যে এই মিটিঙত কোনেও পাকিস্তান শব্দটো উচ্চাৰণ কৰা নাছিল। কিন্তু কংগ্ৰেছ দল মুছলমানসকলৰ সুখ-দুখ, পোৱা নোপোৱাৰ প্ৰতি কিমান মনোযোগী হ'ব, তাক লৈ মুছলমান ধৰ্মালম্বী লোকসকলৰ মাজত সন্দেহ ঘণীভূত হৈছিল। তেওঁলোকৰ বহুতেই নিজৰ বাবে পৃথক ৰাজ্য বিচাৰিছিল, য'ত চৰকাৰ চলাব মুছলমানেই। এনেবোৰ কথাই আলোচনা হয় লাহোৰৰ সভাত।

১৯৪০ চনত কিন্তু কোনেও ভাবিব পৰা নাছিল যে আৰু মাত্ৰ সাত বছৰৰ পাছত বৃটিছে ভাৰত এৰি যাব আৰু দেশ বিভাজিত হ'ব। বৰঞ্চ কোনো কোনো ইতিহাসবিদে কয় যে জিন্নাই পৃথক দেশৰ কথা বহুবাৰ ক'লেও আচলতে কংগ্ৰেছৰ লগতেই ক্ষমতা ভাগ কৰি

দেশ চলোৱাৰ কথা ভাবিছিল। তেওঁৰ ইচ্ছা আছিল যে স্বাধীন ভাৰতৰ ৰাজ্যৰ হাতত থাকিব অধিক ক্ষমতা। মুছলমান প্ৰধান ৰাজ্যবোৰত ক্ষমতাত থাকিব মুছলীম লীগ আৰু কেন্দ্ৰীয় চৰকাৰৰ হাতত কেৱল দেশৰ টকা পইচা, সেনা বাহিনী আৰু অন্যান্য দেশবোৰৰ সৈতে যোগাযোগ ৰক্ষাৰ দায়িত্ব থাকিব। কিন্তু কংগ্ৰেছ এই ক্ষমতা ভাগ বটোৱাৰাত ৰাজি নোহোৱাত শেষলৈ দুটুকুৰা হয় বৃটিছ ভাৰত।

অৱশ্যে এইক্ষেত্ৰত অন্য মতো আছে। বহুতেই কয় যে জিন্নাৰ ক্ষমতাৰ লোভ আৰু হিন্দু – মুছলমানৰ সম্পৰ্ক দিনে দিনে বেয়া হোৱাৰ ফলতেই দেশ বিভাজন হৈছিল। এই কথা সচাঁ যে ১৯৪৬ চনৰ আগষ্ট মাহৰ পৰা দেশৰ নানান ঠাইত হিন্দু, মুছলমান আৰু শিখসকলৰ মাজত সাংঘাতিক সংঘৰ্ষ আৰম্ভ হৈছিল। সেই কাজিয়া যেন শেষেই নহয়। শেষ হ'ব কেনেকৈ, যদি বৃটিছ চৰকাৰে চেষ্টাই নকৰে ! কিন্তু হিন্দু- মুছলমানৰ মাজৰ এই সংঘৰ্ষই সকলো আলোচনাকে একপ্ৰকাৰ স্তব্ধ কৰি পেলালে। কিছুমান মানুহৰ মনত অমূলক ধাৰণা গঢ়ি উঠিল যে দেশ বিভাজন হ'লেহে শান্তি আহিব। আৰু সেই সময়ত বৃটিছৰ ভাৰত ত্যাগৰ তৎপৰতাও আৰম্ভ হৈছিল। তেওঁলোক গুছি গ'লে দেশৰ ক্ষমতা কোনে পাব, কি চৰ্তত, কিমান দিনৰ বাবে, এই প্ৰশ্নবোৰৰ উত্তৰ নাছিল বৃটিছসকলৰ হাতত। দেশখনক দুভাগ কৰি দুই দলৰ হাতত ক্ষমতা তুলি দিয়াৰ মাজেৰেই সহজ সমাধানৰ পথ বিচাৰিলে বৃটিছ চৰকাৰে। চকুৰ সন্মুখতে এবছৰৰ ভিতৰত ধৰ্মৰ ভিত্তিত সৃষ্টি হ'ল দুখন দেশৰ। এখনৰ নাম পাকিস্তানৰ, য'ত মুছলমানসকল

সংখ্যাত বেছি আৰু আনখন ভাৰত, য'ত হিন্দুসকলৰ সংখ্যা বেছি। পঞ্জাৱত শিখসকল আছিল সংখ্যাত বেছি। সকলোৱে যে এই ভাগ বটোৱাৰা আনন্দমনে মানি লৈছিল, তেনে নহয়। যেনেদৰে গান্ধীজীয়ে খুব দুখ পাইছিল হিন্দু – মুছলমান, ভাৰত – পাকিস্তানৰ বিভাজনত। ১৫ আগষ্টত যেতিয়া দেশজুৰি স্বাধীনতাৰ আনন্দ উৎসৱ চলিছে, কলিকতা চহৰৰ এটা ঘৰত নোখোৱাকৈ, কাৰো লগত কথা নপতাকৈ গোটেইটো দিন কটাইছিল তেওঁ।

আৰু এটা কথা কৈ যোৱাটো প্ৰয়োজনীয়। পাকিস্তানত, বিশেষকৈ পূব পাকিস্তানত বহুতো হিন্দু ৰৈ গৈছিল আৰু ভাৰততো ৰৈ গৈছিল বহু মুছলমান। দেশ বিভাজনৰ ঠিক পাছত পশ্চিমবংগত ১০০ জন মানুহৰ ২৫ জনেই আছিল মুছলমান আৰু পূৰ্ব বংগত ২৮.২ শতাংশ মানুহ আছিল হিন্দু। তেওঁলোক নিজৰ জন্মভূমিৰ প্ৰেমত, নিজৰ ঘৰ আৰু প্ৰতিৰেশীৰ প্ৰেমত ৰৈ গৈছিল। কোনোবাই আকৌ এই ভাবিও ৰৈ গৈছিল যে কিছুদিনৰ পাছত আকৌ একলগ হৈ যাব দুয়োখন দেশ। আনফালে বেছ কেইজনমান বাঙালী হিন্দু আৰু মুছলমান নেতাই দুই বংগ এক কৰি তিনি নম্বৰ এখন দেশ সৃষ্টি কৰিব পাৰি নেকি, সেই বিষয়েও আলাপ – আলোচনা চলাইছিল কেইদিনমান। এই কথা বতৰাবোৰ শুনিও বহুতেই নিজৰ নিজৰ ঘৰত ৰৈ গৈছিল। ক'বতো নোৱাৰি, আকৌ হয়তো সলনি হৈ যাব পাৰে দুই বংগৰ মানচিত্ৰ। তাৰ বাহিৰেও দুয়ো দেশৰ নেতাসকলেই কিন্তু কথা দিছিল যে হিন্দু – মুছলমান উভয়ৰে সমান যত্ন ল'ব। সেই কথা কিন্তু কোনো দেশৰ নেতাসকলেই ৰখা নাই। যাৰ বাবে দুয়োখন দেশতে আজিও ধৰ্মৰনামত কাজিয়া চলি আছে।

কেতিয়া, কেনেকৈ হিন্দু-মুছলমানৰ মাজত কাজিয়া লাগিল, সেই কথা বহুত কোৱা হ'ল। কিন্তু ইতিহাস কেৱল কেতিয়া কি ঘটিছে, তাৰ তালিকা মাত্ৰ নহয়। ইতিহাস মানে হৈছে কোনো পুৰণি ঘটনাক নানান ধৰণে বুজাৰ যত্ন কৰা। সেই ঘটনা কিয় ঘটিল, কেনেকৈ ঘটিল আৰু তাৰ ফলাফল কি হ'ল, সেইবোৰ প্ৰশ্নৰ উত্তৰ বিচৰা। নেতাসকলে দেশখন ভাগ কৰিব বুলি ঠিক কৰাৰ পাছত হাতেকামে কেনেকৈ বৃটিছ ভাৰত ভাগ হৈ দুখন দেশ হ'ল, এইবাৰ সেই কথাটোকেই কও।





## (২) ভাগ বটোৱাৰাৰ হিচাপ নিকাচ

মালদহ জিলাত সেই যুগত বহুত ডাঙৰ জমিদাৰ আছিল। তেওঁলোকৰ মাজত আছিল বিৰাট প্ৰতিযোগিতা। কোন কিমান ডাঙৰ জমিদাৰ, কাৰ প্ৰতিপত্তি কিমান বেছি, সেয়া জুখিবৰ এটাই উপায় আছিল যে কাৰ হাতী কিমানটা আছে? হাতী পোহাৰ বহুত খৰচ, সৰু সৰু জমিদাৰৰ সামৰ্থ্যৰ বাহিৰত। কাৰ কিমান হাতী আছে, তাৰ ওপৰত ভিত্তি কৰিয়েই সৰু – ডাঙৰ বা মজলীয়া জমিদাৰৰ পৰিচয় নিৰ্ধাৰণ কৰা হৈছিল। জমিদাৰসকলক টক্কৰ দিবলৈ বৃটিছ চৰকাৰেও আমোলাসকলৰ ব্যৱহাৰৰ বাবে হাতী পুহিছিল। জয়মনি আছিল তেনে এটা হাতী। বিৰাট লখিমী হাতী আছিল জয়মনি। সকলো সময়তে কলপুলি চোবাই থাকিবলৈ পালেই স্ফূৰ্তিত আছিল সি। শিশুবোৰৰ সৈতেও হাতীটোৰ আছিল বিৰাট মিলাপ্ৰীতি। কিন্তু সেই জয়মনিক লৈয়েই দেশ বিভাজনৰ সময়ত ডাঙৰ গণ্ডগোল লাগিছিল।

কাহিনীৰ আৰম্ভণি ১৯৪৭ চনৰ ৩ জুনত, বৃটিছ শাসিত ভাৰতৰ ৰাজধানী দিল্লীত। সেইদিনা পুৱাই বৰলাট মাউণ্টবেটেনৰ ঘৰত বহিছিল জৰুৰী বৈঠক। বৈঠকত উপস্থিত আছিল কংগ্ৰেছ আৰু লীগৰ ডাঙৰ ডাঙৰ নেতাসকল। নানা আলোচনা, বাক বিতণ্ডাৰ পাছত ঠিক কৰা হৈছিল যে ভাৰত ভাঙি যদি দুখন দেশ সৃষ্টি কৰিব লাগে তাৰ বাবে ব্যাপক প্ৰস্তুতিৰ প্ৰয়োজন। ভাঙিম বুলিয়েই এখন দেশ দুভাগ কৰিব নোৱাৰি। ই এক জটিল কাৰবাৰ। কি আছিল সেই জটিলতা আৰু তাৰ বাবে কেনে ধৰণৰ প্ৰস্তুতিৰ দৰকাৰ, সেয়া আমি এটা এটাকৈ কম।

প্ৰথমতে মানচিত্ৰ উলিয়াই লৈ শীতল মগজুৰে চাই ল'ব লাগিব যে ভাৰতৰ সীমা ক'ত শেষ

হৈছে আৰু পাকিস্তানৰ ক'ৰ পৰা আৰম্ভ হৈছে? অৰ্থাৎ দুয়োখন দেশৰ মাজত সীমাৰেখা টানিব লাগিব। তাৰ পাছত যিসকল চৰকাৰী চাকৰিয়াল, তেওঁলোকৰ ভৱিষ্যত কি হ'ব তাকো ঠিক কৰিব লাগিব। বৃটিছ চৰকাৰৰ ঠাইত যদি ভাৰত আৰু পাকিস্তানৰ চৰকাৰ হয়, তেনেহ'লে কোনে কোনে কোন চৰকাৰৰ হৈ কাম কৰিব, সেয়াও ঠিক কৰাৰ দৰকাৰ। ইয়াৰ বাহিৰেও দুয়ো দেশৰ মাজত চৰকাৰী সম্পত্তিৰো ভাগ বটোৱাৰা কৰাটো প্ৰয়োজনীয়। সেয়া এক জটিল হিচাপ নিকাচৰ কথা। এইবাৰ প্ৰশ্ন উঠিল – ইমানবোৰ কাম কৰিব কোনে? ইয়াৰ উত্তৰ পোৱা গ'ল বৈঠকৰ দহ দিন মানৰ পাছত।

বিভিন্ন দপ্তৰৰ বৰমূৰীয়াসকলক লৈ তৈয়াৰ হ'ল দহটা বিশেষজ্ঞৰ দল। তেওঁলোকৰ কাম আছিল দেশ বিভাজনৰ সকলো খুটি নাটিৰ বন্দোবস্ত কৰা। এই দহটা বিশেষজ্ঞ দলৰ ওপৰত আছিল দুজনীয়া আন এটা দল। যাৰ পোছাকী নাম আছিল ষ্টিয়েৰিঙ কমিটী বা পৰিচালনা সাংসদ। চৌধুৰী মহম্মদ আলী আৰু হিৰুভাই মুলজিভাই পেটেল নামৰ দুজন অভিজ্ঞ আমোলা আছিল এই ষ্টিয়েৰিঙ কমিটীৰ সদস্য। হিৰুভাই মুলজিভাই পেটেল পাছলৈ ভাৰতৰ গৃহমন্ত্ৰী আৰু বিত্তমন্ত্ৰী হৈছিল। চৌধুৰী মহম্মদ আলী হৈছিলগৈ পাকিস্তানৰ প্ৰধানমন্ত্ৰী। পিছে মই যি সময়ৰ কাহিনী ক'বলৈ ওলাইছো, তেতিয়ালৈ তেওঁলোকে ৰাজনীতিত ভৰি দিয়া নাছিল। তেওঁলোকৰ দায়িত্ব আছিল বিশেষজ্ঞ দলবোৰক সকলো সময়তে পৰামৰ্শ দিয়া। দলবোৰৰ মাজত কোনো বিষয়ক লৈ মতানৈক্য হ'লে সেয়া মীমাংসা কৰা। ইয়াৰ বাহিৰেও এই দুজন ব্যক্তিৰ জড়িয়তেই বিশেষজ্ঞ দলবোৰৰ লগত যোগাযোগ ৰাখিছিল লীগ তথা কংগ্ৰেছৰ নেতাসকলে। দুই দলৰে

দুজনকৈ নেতাক লৈ গঠন কৰা হৈছিল পাৰ্টিশ্যন কাউন্সিল। তেওঁলোকৰ দায়িত্ব আছিল সমগ্ৰ প্ৰক্ৰিয়াৰ ওপৰত নজৰ ৰখা আৰু বিশেষজ্ঞ দল তথা  পৰিচালনা সংসদৰ সৈতে দৰকাৰে অদৰকাৰে যোগাযোগ ৰখা।

এয়া বাৰু দিল্লীৰ চৰকাৰৰ কথা। ইয়াৰ পাছত বংগ আৰু পঞ্জাৱৰ নেতাসকলেও ঠিক কৰিলে যে তেওঁলোকৰ ৰাজ্যৰ কিছু পাব পাকিস্তানে আৰু কিছু পাব ভাৰতে৷ তেতিয়া কলিকতা আৰু লাহোৰৰ সম্পত্তি আৰু মানুহ ভাগ কৰিবৰ বাবে গঠন কৰা হ'ল একেই ধৰণৰ সৰু, মজলীয়া আৰু ডাঙৰ সংসদ।

আগতেই কৈছো যে আমাৰ জয়মনি আছিল চৰকাৰী হাতী। আমোলাসকলে যেতিয়া এখন হাতত নোটবহী আৰু আনখন হাতত কলম লৈ চৰকাৰী সম্পত্তিৰ তালিকা বনাবলৈ বহিল, তেতিয়া তালিকাত জয়মনিৰো নাম উঠিল। জয়মনি কাৰ হ'ব তাক লৈ প্ৰশ্ন আহি পৰিল। কাগজৰ পাছত কাগজ, চিয়াঁহীৰ পাছত চিয়াঁহী খৰচ কৰি হিচাপ নিকাচ কৰা হ'ল। তাৰ পাছত বৰমূৰীয়াসকলে ক'লে যে জয়মনি পূব পাকিস্তানৰ প্ৰাপ্য। তেতিয়া প্ৰশ্ন উঠিল – জয়মনি পাকিস্তানলৈ যাব কেনেকৈ? সেয়ানো আৰু কি চিন্তাৰ বিষয়! মালদহৰ পৰা দুখোজ গ'লেই দুই দেশৰ সীমান্ত। আৰু সীমান্ত পাৰ হ'লেই পূব পাকিস্তান। মাউতৰ লগত খোজ কাঢ়িয়েই আৰামত নতুন দেশলৈ গুছি যাব পাৰে জয়মনি। কিন্তু বাধা হৈ পৰিল  খোদ মাউত মহাশয়ে। সীমান্ত পাৰ হৈ পাকিস্তানলৈ যাব লাগিব বুলি শুনিয়েই তেওঁৰ জ্বৰ উঠি গ'ল। তেওঁ যে পশ্চিমবংগ চৰকাৰৰ অধীনতে চাকৰি কৰিব, সেই কথা ইতিমধ্যে জনাই দিছিল। তেওঁ

বোধহয় এই ভাবি ভয় খালে যে এদিনৰ বাবে পাকিস্তানলৈ গ'লেও জয়মনিৰ লগতে তেওঁকো তাতেই ৰাখি থ'ব পূৱ পাকিস্তানৰ চৰকাৰে। তেনেহ'লে এইবাৰ উপায় কি? জয়মনি হাজাৰ হ'লেও এটা হাতী। অকলে অকলে খোজ কাঢ়ি, পথ চিনি পূৱ পাকিস্তানলৈ যাব পাৰিব জানো? সকলোৰে এই কথা ভাবি মূৰে কপালে হাত দিলে।

চাওতে চাওতে দেশ বিভাজনৰ পাছত পাৰ হৈ গ'ল দহটা মাহ। ১৯৪৮ চনৰ জুন মাহ আহি পালে কিন্তু জয়মনি তেতিয়াও মালদহতেই। পূৱ পাকিস্তানৰ চৰকাৰ তেতিয়ালৈ অধৈৰ্য্য হৈ পৰিছে জয়মনিৰ বাবে। অৱশেষত সেই দেশৰ দুজন বনকৰ্মীক পঠিওৱা হ'ল জয়মনিক লৈ যাবৰ বাবে। কিন্তু তেওঁলোক মালদহ আহি পোৱাৰ পাছত এক নতুন বিপদে দেখা দিলে। মালদহৰ উপায়ুক্তই আহি তেওঁলোকক লগ ধৰি ক'লে যে জয়মনিক বিদেশলৈ লৈ যোৱাৰ আগেয়ে ১৯০০ টকা জমা দিব লাগিব। ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰাই জয়মনি কাগজে কলমে আছিল পূৱ পাকিস্তানৰ সম্পত্তি। কিন্তু যোৱা দহ মাহ ধৰি জয়মনিক খাদ্য যোগান ধৰিছে পশ্চিমবংগ চৰকাৰে। হাতীৰ খোৰাকতো কম কথা নহয় আৰু !শ শ চৰকাৰী টকা খৰচ কৰা হৈছে তাৰ বাবে। সেইবোৰ হিচাপ কৰিয়েই উপায়ুক্তই এই দাবী জনালে। সেই যুগত ১৯০০ টকা মানে বহুত টকা। জয়মনিক যিসকলে নিবলৈ আহিছিল, তেওঁলোকৰ হাতত ইমান টকা নাছিল। উপায়ুক্তও নাছোৰবান্দা, এই টকা তেওঁক লাগিবই।খঙতে তেওঁ পূৱ পাকিস্তানৰ পৰা অহা মানুহ দুজনক জেলত ভৰাই দিলে। জয়মনিক লৈ যোৱাটো দূৰৈৰ কথা, এই দুজন মানুহৰ চৰকাৰী কামত ভাৰতলৈ আহি কম হাৰাশাস্তিৰ সন্মুখীন নহ'ল জানো ! জয়মনিৰ বিদেশ যাত্ৰা

আকৌ স্থগিত। কোনোদিনেই হয়তো জয়মনিৰ আৰু পাকিস্তানলৈ যোৱা নহ'লগৈ।

জয়মনিক লৈ যেনেকৈ টনা আজোৰা, কাজিয়া পেচাল হৈছিল দুই বংগ আৰু দুই দেশৰ মাজত, তেনেকৈ আৰু নানা সৰু বৰ সম্পত্তিক লৈ ভাৰত – পাকিস্তানৰ মাজত গণ্ডগোল প্ৰতিদিনে লাগি আছিল। এখন দেশক দুটুকুৰা কৰা কি মুখৰ কথা ! কিমান হিচাপ নিকাচ, আলাপ – আলোচনা আৰু তৰ্ক বিতৰ্কৰ মাজেৰে লাহে লাহে বৃটিছৰ শাসনৰ বান্ধোন খুলি তৈয়াৰ হৈছিল দুখন দেশ। হৈছিল বুলিয়েইবা কেনেকৈ কওঁ? আজিওচোন বাতৰি কাকত মেলিলেই আমি পঢ়িবলৈ পাওঁ যে কাশ্মীৰক লৈ কি ভীষণ টনা আজোৰা লাগিছে দুখন দেশৰ। তেনেহ'লে দেশ বিভাজন জানো কেৱল পুৰণি দিনৰ এটা ঘটনা? নে আজিও চলি আছে দেশ ভাগ? এই প্ৰশ্নটো মগজুত ৰাখা। হয়তো এইখন কিতাপতেই ইয়াৰ উত্তৰ পাম।





## (৩) ৰেডক্লিফ চাহাবৰ ছুৰি

কাশ্মীৰৰ কথা ক'বলৈ গৈ মনত পৰিল যে কলিকতা চহৰকলৈও ভাৰত আৰু পাকিস্তানৰ মাজত কিছু টনা আজোৰা হৈছিল। ওঠৰ শতিকাৰ দ্বিতীয় ভাগৰ পৰা বৃটিছসকলৰ হাতত ধৰি গঢ়ি উঠে কলিকতা চহৰ। গংগাৰ পাৰত তৈয়াৰ হোৱা এই চহৰ আছিল বৃটিছ ভাৰতৰ ব্যৱসায় – বাণিজ্য, ৰাজনীতি, শিক্ষা – দীক্ষা, সাহিত্য – সংস্কৃতিৰ এক বিৰাট কেন্দ্ৰ। দূৰ দূৰণিৰ পৰা কলিকতালৈ মানুহ আহিছিল লিখা-পঢ়া বা চাকৰি কৰিবলৈ। কোনোবা আহিছিল কামৰ সন্ধানত। নানা ধৰ্মৰ, নানা ভাষাৰ মানুহৰ ভিৰত খদমদম হৈ আছিল কলিকতাৰ বাট – পথ, অলি গলি।১৯৪৭ চনৰ দেশ বিভাজনৰ কথাৰ লগতে আহি পৰে বংগ বিভাজনৰ বিষয়টোও। আকৌ আৰম্ভ হ'ল কলিকতাক লৈ টনা আজোৰা। কাহিনীটো এতিয়া কওঁ।

দেশ বিভাজনৰ সময়ত বংগ আৰু পঞ্জাবৰ নেতাসকলে ঠিক কৰিছিল আধা –অধাকৈ ভাগ হ'ব তেওঁলোকৰ ৰাজ্য দুখনো। আধা খণ্ড পাব পাকিস্তান আৰু আধা খণ্ড ৰৈ যাব ভাৰতত। তেনেকৈয়ে ঠিক হ'ল অসমৰ এটুকুৰাও যাব পূৱ পাকিস্তানলৈ। কিন্তু এইবাৰ নানান প্ৰশ্ন উঠিল। কোনে দায়িত্ব লৈ মানচিত্ৰ চাই ঠিক কৰিব যে কোনফালে যাব এই সীমাৰেখা? কিহৰ ভিত্তিতেই বা নিৰ্ণয় কৰা হ'ব কোন গাঁও, কোন চহৰ আৰু কোন জিলা যাব পাকিস্তানলৈ আৰু কোন কোন থাকিব ভাৰতবৰ্ষত? নেহৰু, জিন্না আৰু বৰলাট মাউন্টবেটেনে নিজৰ মাজত আলোচনা কৰি মাতি পঠিয়ালে এজন চাহাবক। তেওঁৰ নাম ছিৰিল ৰেডক্লিফ, পেচাত

তেওঁ আইন বিশাৰদ। ৰেডক্লিফে কিন্তু আগতে কেতিয়াও ভাৰতৰ মাটিত ভৰি দিয়া নাছিল আৰু তেওঁৰ এই দেশৰ বিষয়ে কোনো পঢ়া শুনা বা আগ্ৰহো নাছিল। সেইকাৰণেই বোধহয় তেওঁক বাছি লৈছিল বৰলাট, নেহৰু আৰু জিন্নাই। যিজন মানুহে ভাৰত – পাকিস্তানৰ বিষয়ে বিন্দু বি:সৰ্গও নাজানে আৰু পেছাত যি বিচাৰক, তেওঁ দুই পক্ষৰে দাবী মগজুত ৰাখি উচিতভাৱে দেশ বিভাজন কৰিব, সেয়াই আছিল নেতাকলৰ বিশ্বাস।

ৰেডক্লিফক প্ৰধান হিচাপে লৈ ১৯৪৭ চনৰ ৩০ জুনত গঠন হ'ল দুখন সীমান্ত কমিছন অৰ্থাৎ আয়োগ। এখনৰ দায়িত্ব আছিল ভাৰত আৰু পাকিস্তানৰ মাজত সীমাৰেখা নিৰ্ধাৰণ কৰা  আৰু আনখনৰ কাম আছিল ভাৰত আৰু পশ্চিম পাকিস্তানৰ মাজত সীমা ঠিক কৰা। কমিছনৰ হাতত সময় আছিল ডেৰ মাহ মান। এই দুখন কমিছনত আছিল চাৰিজনকৈ লোক আৰু তেওঁলোক আটায়ে আইন বিশাৰদ। তেওঁলোকৰ মাজত আছিল আধা হিন্দু, যাৰ নাম বাছনি কৰিছিল কংগ্ৰেছে। বাকী আধা সদস্য মুছলমান, যিসকল লীগৰ পছন্দৰ মানুহ আছিল। তেওঁলোকক এনেকৈ সীমা নিৰ্ণয় কৰিবলৈ কোৱা হৈছিল, যাতে পাকিস্তানৰ দুই অংশ পূব আৰু পশ্চিম হয়গৈ মুছলমান প্ৰধান। সমান্তৰালভাৱে মনত ৰাখিবলৈ কোৱা হৈছিল 'অন্যান্য বিষয়বোৰো'। এই অন্যান্য বিষয়বোৰ কি, সেয়া কিন্তু বৰলাটে স্পষ্টকৈ কোৱা নাছিল। ইয়াক লৈয়ে লাগিল নানান গণ্ডগোল। কলিকতাক লৈ আৰম্ভ হ'ল টনা – আজোৰা। ইয়াতেই কৈ থও যে সীমা টনা কামটো কিন্তু তেওঁলোকে বাস্তৱিকতে হাতে কামে কৰা নাছিল।মানচিত্ৰত

পেঞ্চিলেৰে আঁচ টানি ঠিক কৰিছিল ভাৰত আৰু পাকিস্তানৰ সীমান্ত।

বৃটিছ চৰকাৰৰ সময়ৰ পৰাই দহ বছৰত এবাৰকৈ সমগ্ৰ দেশত লোক গণনা কৰা হৈছিল। সেই হিচাপ অনুসৰি কলিকতাত হিন্দু মানুহৰ সংখ্যা মুছলমান মানুহৰ তুলনাত সামান্য বেছি আছিল। পিছে এই চহৰত আছিল বহু মুছলমান ছাত্ৰ, যিয়ে দূৰণিৰ গাঁৱৰ পৰা পঢ়া- শুনা কৰিবৰ বাবে আহিছিল। একেদৰে আছিল বিহাৰ, উত্তৰ ভাৰতৰ পৰা অহা মুছলমান শ্ৰমিক, যিসকলে কাম কৰিছিল মৰাপাট কল বা আন কৰবাত। কলিকতা বন্দৰত কাম কৰিছিল চিলেট জিলাৰ চাৰেঙীয়া মুছলমান। অৰ্থাৎ এই চহৰত স্থায়ীভাৱে থকা মানুহৰ মাজত হিন্দুসকলৰ সংখ্যা অলপ বেছি হ'লেও চহৰখন যিমান তেওঁলোকৰ আছিল, সিমানেই আছিল তেওঁলোকৰ মুছলমান বন্ধুসকলৰো । সকলো সময়তে যে কলিকতাৰ হিন্দু আৰু মুছলমানৰ মাজত ভালপোৱা সদ্ভাৱ আছিল, তেনে অৱশ্যেই নহয়। স্বাধীনতাৰ ঠিক এবছৰ আগত যেনেকৈ এই চহৰতে তেওঁলোকৰ মাজত ভয়াৱহ সংঘৰ্ষও হৈছিল।

লীগে বিচাৰিছিল হিন্দু আৰু মুছলমান উভয়ৰে চহৰ কলিকতা থাকক পূৰ্ব পাকিস্তানত। আনহাতে, কংগ্ৰেছ তথা হিন্দু মহাসভাই(আন এটা ডাঙৰ দল) বিচাৰিলে যে এই চহৰ হওক ভাৰতৰ অংশ। এদলে ক'লে যে স্থায়ীভাৱে থকা মানুহ গণনা কৰিলে কলিকতা হিন্দুসকলৰ চহৰ, সেয়ে ই ভাৰততে থাকিব লাগে। আনটো দলে ক'লে যে বাহিৰৰ পৰা অহা মানুহকো হিচাপত ধৰা হওক। এটা দলে ক'লে, কলিকতাত পৌৰসভাই যি কৰ

সংগ্ৰহ কৰে, তাৰ সিংহভাগেই আহে হিন্দুসকলৰ পৰা, গতিকে এই চহৰ হিন্দুৰ। আনটো দলে উভতি ধৰি ক'লে, কলিকতা বন্দৰে যে বছৰি কৌটি কৌটি টকা লাভ কৰে, সেয়া পূৰ্ব বংগৰ মৰাপাট বিদেশলৈ পঠিয়াইহে লাভ কৰে। সেই ক্ষেত্ৰত কি কোৱা হ'ব ! এই বিতৰ্কৰ মাজতে লাহেকৈ মুছলীম লীগৰ ছোহৰাবৰ্দী চাহাবে এবাৰ কৈছিল – সদ্যহতে কলিকতা দুয়ো বংগৰে হৈ থাকক নহ'লে। ইয়াৰ পৰাই চলোৱা হওক পশ্চিমবংগ আৰু পূৱ পাকিস্তান দুয়োখনৰে ৰাজপাট। এই মতত অৱশ্যে কোনেও ৰাজী হোৱা নাছিল। শেষ কথাটো ক'লে ৰেডক্লিফে। ১৭ আগষ্টত সীমান্ত কমিছনে জনালে যে তেওঁলোকে আঁচ টানি ক'ত, কেনেকৈ ভাৰতৰ পৰা পাকিস্তান আৰু পূৱ পাকিস্তানক পৃথক কৰিছে। দেখা গ'ল কলিকতা ৰৈ গৈছে পশ্চিমবংগ অৰ্থাৎ ভাৰতত।

কলিকতাক লৈ হোৱা কাজিয়াখন ৰেডক্লিফ চাহাবৰ মধ্যস্থতাত মীমাংসা হ'ল যদিও আন কেতবোৰ ঠাইক লৈ দীঘলীয়া সময় জুৰি দুই দেশৰ মাজত চলিছিল টনা - আজোৰা, আলাপ – আলোচনা। আচলতে ৰেডক্লিফে দিয়া দাগত আছিল অনেক গণ্ডগোল। পদ্মা, মাথাভাংগা, ইছামতী আৰু নানা নদ নদীক বহু ঠাইত ভাৰত আৰু পূৱ পাকিস্তানৰ সীমাৰেখা হিচাপে ব্যৱহাৰ কৰিছিল ৰেডক্লিফে। কিন্তু বংগৰ নদীবোৰৰ চৰিত্ৰ বুজিব নোৱাৰা বিধৰ। মাজে মাজে সলনি হৈ নদী বৈ যোৱা পথ। তেতিয়া ভাৰত আৰু পাকিস্তানৰ সীমান্তও সলনি হৈ যাব নেকি? অসমত কুছিয়াৰা নদীক লৈও উদ্ভৱ হৈছিল, একেই ধৰণৰ সমস্যা। কাজিয়া

লাগিছিল অসমৰ জংঘল পাথাৰিয়াক লৈও। এইবোৰ বিবাদ চলিছিল বছৰৰ পাছত বছৰ জুৰি। কাশ্মীৰত যেনেকৈ সেই কাজিয়াৰ আজিও মিমাংসা হোৱা নাই। যাৰ ঘৰ-বাৰী বা খেতিপথাৰৰ কাষেৰে ৰেডক্লিফ চাহাবে সীমা টানিছিল তেওঁলোক বিপদত পৰিছিল।

দেশ বিভাজনৰ সময়ত কিমান ধৰণৰ যে বিপদত পৰিছিল তোমাৰ মোৰ দৰে সাধাৰণ মানুহ! নিজৰ ভেটি মাটি এৰি আহি নতুন দেশত অনেক কষ্টত দিন কটাইছিল লাখ লাখ মানুহে। আকৌ সেই কষ্টৰ মাজতে কোনোবা কোনোবাই বিচাৰি পাইছিল নতুনকৈ জীয়াই থকাৰ সুযোগ। আহা, এই পোৱা – নোপোৱাৰ গল্পৰ টোপোলাটোকে খুলি বহো এইবাৰ।





## (৪) ভাত, ৰুটী আৰু এৰি অহা দেশ

যেতিয়া বৃটিছ ভাৰত ভাগ হ'ল, দেশৰাজৰ তেতিয়ানো বয়স কিমান? এই ধৰা ১২-১৪ বছৰ। সি তেতিয়া সপ্তম শ্ৰেণীত পঢ়ে, পঞ্জাৱৰ এখন সৰু গাঁৱত। সেই গাঁৱতে তাৰ দেউতাক, ককাকৰ সমগ্ৰ প্ৰজন্ম আছে। কিন্তু ৰেডক্লিফ চাহাবৰ হিচাপ মতে তেওঁলোকৰ সেই গাঁওখন পৰিল পাকিস্তানত। ইফালে সেই বছৰৰ গ্ৰীষ্মকাল আৰম্ভ হোৱাৰ পাছৰে পৰা সমগ্ৰ পঞ্জাৱত বিৰাট হাহাকাৰ লাগিছিল। বৃটিছসকলে দেশ এৰি গুছি যাব, ভাৰত স্বাধীন হ'ব আৰু ইয়াৰ লগে লগে আধা – আধিকৈ পঞ্জাৱো ভাগ হ'ব – এইবোৰ খবৰ আৰু তাৰ লগে লগে নানান গুজৱে অস্থিৰ কৰি তুলিছিল সেই ঠাইৰ মানুহক। বহু যুগ ধৰি ওচৰা ওচৰিকৈ থকাৰ পাছতো হঠাৎ হিন্দু – মুছলমান আৰু শিখৰ মাজত কাজিয়া লাগি গৈছিল। সেই সংঘৰ্ষ যেতিয়া পুলিচ, মিলিটেৰী কোনেও ৰখাব পৰা নাই, তেতিয়া জিন্না আৰু নেহৰুৱে মিলি এক বিচিত্ৰ সমাধান উলিয়ালে। ঠিক হ'ল যে পঞ্জাৱৰ যিবোৰ চহৰ আৰু গাঁও পাকিস্তানৰ ভাগত পৰিছে, তাৰ পৰা হিন্দু আৰু শিখ পৰিয়ালসমূহক লৈ অহা হ'ব ভাৰতলৈ। পঞ্জাৱৰ যি আধা অংশ ভাৰতৰ ভিতৰত পৰিছে তাৰ পৰা মুছলমানসকলক লৈ যোৱা হ'ব পাকিস্তানলৈ। দুয়ো দেশৰ সেনাবাহিনীয়ে একেলগে মিলি এই মানুহখিনিক ইপাৰ সিপাৰ কৰোৱাৰ ব্যৱস্থা কৰিব। দুই বংগৰ মাজত কিন্তু এনেদৰেমানুহ সালসলনি কৰা হোৱা নাছিল। অলপ পাছত সেই কথালৈকে আহিম।

নেহৰু আৰু জিন্নাৰ কথা মতে দেশৰাজৰ সৰু গাঁওখনতো পুলিচ – মিলিটেৰী গৈ পালে। ২৫ আগষ্টৰ কাহিলীপুৱাত ঘুমটিভৰা চকুৰে দেশৰাজে তাৰ মাক – ককায়েকহঁতৰ হাতত ধৰি পুলিচৰ পাছে পাছে ভাৰতলৈ ৰাওনা হ'ল। ওচৰ পাজৰৰ গাঁৱবোৰৰ পৰাও শয়ে শয়ে মানুহ আহি যোগ দিলে তেওঁলোকৰ লগত। প্ৰায় পঞ্চাশ হাজাৰ মানুহৰ সেই বিৰাট মিছিল, লগতে তেওঁলোকৰ গৰু, ম'হ, টালি – টোপোলা, বাচন বৰ্তন। চাৰি দিন খোজকাঢ়ি তেওঁলোক ফাজিলকা এখন চহৰত আহি উপস্থিত হ'ল। এই চহৰৰ গাৰ কাষেৰেই গৈছে ৰেডক্লিফৰ লাইন আৰু এই ফাজিলকা পৰিছে ভাৰতৰ ভিতৰত।

ভাৰত বাৰু আহি পালে, কিন্তু তাৰ পাছত? এই দেশত দেশৰাজৰ কোনো বন্ধু বা আত্মীয় নাছিল। দেশৰাজৰ মাক আৰু ককায়েকে কাৰোবাৰ মুখত শুনিলে যে উত্তৰ প্ৰদেশৰ ছাহাৰণপুৰত গ'লে খুব সহজে কাম কাজ, ঘৰ বাৰী ব্যৱস্থা কৰিব পৰা যাব। সেয়াই ঠিক কৰা হ'ল। ট্ৰেইনত উঠি বহিল দেশৰাজ, লগত তাৰ ঘৰৰ মানুহ। কিন্তু তেওঁলোকৰ সঁচাকৈয়ে কপাল বেয়া। ট্ৰেইন অলপদূৰ আগবঢ়াৰ পাছতেই ৰাস্তাত ভীষণ বৰষুণ আৰম্ভ হ'ল। গাড়ী বন্ধ কৰিবলগীয়া হ'ল। ছেপ্তেম্বৰ মাহ, বাৰিষাকাল চলিয়েই আছে আৰু তেনেসময়তে আৰম্ভ হ'ল দেশ বিভাজন। মানুহৰ যেন বিপদৰ আৰু শেষ নাই। বৰষুণ মূৰত লৈয়ে পঞ্জাৱৰ আম্বালা ষ্টেচনত দেশৰাজে কটালে বেছ কেইবা ৰাতি। তাৰপাছত হঠাৎ এখন মালগাড়ী আহি ৰ'ল ষ্টেচনত। দেশৰাজৰ দৰে যিসকল আহি ষ্টেচনত আছেহি, তেওঁলোকক দিল্লীলৈ

নিব পাৰে এই ৰে'লখনে। তাতেই উঠি বহিল দেশৰাজৰ ঘৰৰ মানুহ। তেওঁলোকৰ বাবে কি দিল্লী কি চাহাৰণপুৰ, সকলো অচিনাকি।

লাহে লাহে মালগাড়ী এসময়ত দিল্লী আহি পালে। আকৌ ষ্টেচনত থিতাপি ল'বলগীয়া হ'ল দেশৰাজহঁত। চৰকাৰী বাবুসকলে আহি ক'লে – কেইদিনমানৰ ভিতৰতে থকা – খোৱাৰ ভাল ব্যৱস্থা কৰা হ'ব। কিন্তু তেতিয়ালৈ অপেক্ষা কৰিব লাগিব দিল্লী ষ্টেচনতে৷ দিল্লী ষ্টেচনৰ পৰা দুখোজ আগবাঢ়িলেই ওয়াভেল কেন্টিন। তাতেই সদ্যহতে গৃহহীন মানুহৰ থকা খোৱাৰ ব্যৱস্থা কৰা হ'ল। সেই কেন্টিনত ওৰেটো দিন ডাঙৰ ডাঙৰ বাচনত ভাত ৰন্ধা হৈছিল। আন এটা ডাঙৰ বাচনত থাকিছিল দাইল। পুৱা, দুপৰীয়া, আবেলি যিকোনো সময়ত গ'লেই হ'ল। দুমুঠি ভাত আৰু এক হেতা দাইল সকলোৱে পাইছিল। কিন্তু দেশৰাজহঁত পঞ্জাৱৰ মানুহ। ঘেহুৰ খেতিৰে ভৰা সিহঁতৰ গাঁও। আটাৰ ৰুটী খোৱাৰ অভ্যাস। দিনৰ পাছত দিন ভাত খোৱাটো জিভাই জানো সহে? সাতদিনমান পাছত এনেকৈ কটোৱাৰ পাছত দেশৰাজৰ ঘৰৰ মানুহে হঠাৎ শুনিলে যে ঝান্সীত গ'লেই এই সমস্যাৰ সমাধান হ'ব। তাত তেওঁলোকৰ দৰে পাকিস্তানৰ পৰা অহা মানুহক চৰকাৰে দুইবেলা ৰুটী দিছে হেনো। শুনামাত্ৰকে আৰু এখন ট্ৰেইনত উঠি বহিল দেশৰাজহঁত। এইবাৰ লক্ষ্য মধ্যপ্ৰদেশৰ ঝান্সী।

তোমালোকে হয়তো ভাবিছা, ইমান সংঘাত – দুৰ্যোগৰ মাজতো দুবেলা দুমুঠি ভাত পোৱা গৈছে, তাতেই সন্তুষ্ট হ'ব লাগে এই মানুহবোৰ, সেয়া বাদ দি আকৌ কিয় ওলাল ৰুটীৰ

সন্ধানত? মানুহ কিন্তু তেনেকুৱাই। যেতিয়া পৃথিৱী ওলট পালট হৈ যায়, প্ৰতিদিনৰ জীৱন একেবাৰে সলনি হৈ যায়, তেতিয়া এটা চিনাকি খাদ্য, বহুদিনৰ পুৰণি খেলনা, সদায়ে ঘৰত পিন্ধা কাপোৰযোৰ বা চোতালৰ নিমগছ জোপাৰ মাজতেই যেন এটা আশ্ৰয় বিচাৰি পায়। সকলো সলনি হৈ গ'লেও এটা দুটা বস্তু যে আগৰ দৰেই আছে, এই ভাৱনাৰ মাজতে বিৰাট শান্তি পায়। পিছে ঝান্সীতো কিন্তু বেচেৰা দেশৰাজহঁতৰ শান্তি হোৱা নাছিল। খবৰটো সঁচাই আছিল। ঝান্সীৰ চৰকাৰী শিবিৰত ৰুটীৰ ব্যৱস্থা আছিল। কিন্তু হায় ! এয়া যে বাজৰাৰ মোটা মোটা ৰুটী, আটাৰ ৰুটী নহয়। ইয়াতকৈ দেখোন দিল্লীতেই ভাল আছিল। দেশৰ ৰাজধানী বুলি কথা, কিমান কামৰ সুযোগ। অগত্যা ঝান্সীত দুই – তিনিদিন কটাই দেশৰাজহঁত আকৌ ৰাওণা হ'ল দিল্লীৰ পথত আৰু গৰম আটাৰ ৰুটীৰ সন্ধানত বাটতেই পাৰ গ'ল কেবা মাহ। অৱশেষত সেই বছৰ শীতত দিল্লীৰ এক শিবিৰত ঠাই পাইছিল দেশৰাজহঁতে। আৰু তাৰ চৌকাত তেওঁলোকে নিজেই সেকি ল'ব পাৰিছিল আটাৰ ৰুটী। সেই ৰুটীৰ মাজতেই দেশৰাজহঁতে হয়তো বিচাৰি পাইছিল পঞ্জাৱৰ এৰি অহা গাওখনৰ নামমাত্ৰ অৱশেষ।

ভাত, ৰুটীৰ কথা ক'বলৈ গৈ মনত পৰিল খেতিয়ক কৰিম নাছিৰৰ কথা। তেওঁৰ পৰিয়াল বহুদিন ধৰি বাস কৰিছিল অসমত। তেওঁলোকৰ পেছা ধান খেতি। দেশ বিভাজনৰ বহু দিনৰ আগতে নাছিৰৰ বোপা ককাক মৈমনসিঙ এৰি অসমলৈ আহিছিল খেতিৰ মাটিৰ সন্ধানত। তাৰ আগে পিছে আৰু বহু বাঙালী মুছলমান কৃষক পৰিয়াল গৈছিল অসমলৈ। তেওঁলোকক ঠেলি

লৈ গৈছিল কেতিয়াবা বানপানীয়ে, কেতিয়াবা দৰিদ্ৰতাই। অসমত মুছলীম দলটোৰ ভালেখিনি প্ৰতিপত্তি আছিল। তেওঁলোকে নাছিৰৰ দৰে বহু লোকক অসমতে থাকি যোৱাৰ বাবে উৎসাহ দিছিল আৰু সহায় কৰিছিল। অসমত মুছলমান মানুহৰ সংখ্যা বাঢ়িলে তেওঁলোকৰ দল ডাঙৰ হ'ব, ভোটত জিকা সহজ হ'ব, এইবোৰ ভাবিছিল লীগৰ নেতাসকলে। নাছিৰহঁতক অৱশ্যে অসমৰ কংগ্ৰেছ নেতাসকলে আৰু সেই ৰাজ্যৰ অসমীয়া হিন্দুসকলে পছন্দ কৰা নাছিল। তেওঁলোকে ভাবিছিল যে নাছিৰহঁত আন ঠাইৰ পৰা আহি ইয়াত বহিছে। বহু মাটি দখল কৰি লৈছে তেওঁলোকে। ফলত সুযোগ সুবিধা কমি গৈছে অসমৰ আদি বাসিন্দাসকলৰ। ভোটৰ অংকতো কোনো লাভ নাছিল কংগ্ৰেছৰ। মুছলমান খেতিয়কসকলে মুছলীম লীগকে ভোট দিব বুলি ধৰি লৈছিল তেওঁলোকে।

এইবিলাকৰ মাজেৰে বিভাজন কৰা হ'ল দেশ। অধিক জটিল হৈ পৰিল নাছিহঁতৰ জীৱন। অসম থাকিল ভাৰতত কিন্তু মৈমনসিঙ গ'ল পূৱ পাকিস্তানলৈ। অসমৰ বহু দশকৰ বাসিন্দা নাছিৰ হ'ল ভাৰতীয়। কিন্তু তেওঁৰ পূৰ্বপুৰুষৰ দেশ মৈমনসিঙ হ'লগৈ বিদেশ। দেশ বিভাজনৰ পাছত ঢৌ উঠিল 'বিদেশী হটাও। কিন্তু বিদেশী কোন? বাঙালী মুছলমান দেখিলেই অসমৰ পুলিচৰ সন্দেহ হৈছিল যে তেওঁ নিশ্চয় পূৱ পাকিস্তানৰ পৰা অহা বিদেশী। হিন্দু হ'লে অৱশ্যে কথা ভিন্ন। দেশ বিভাজন আৰু দাংগাত গৃহহীন হৈ তেওলোক অসমলৈ আহিলে সেই সময়ত বিদেশী বুলি কোৱা নহৈছিল। স্বাধীনতাৰ পাছতেই অসমৰ কংগ্ৰেছ চৰকাৰে আইন বনাই

বিদেশীবোৰক খেদি পাকিস্তানলৈ পঠিয়াই দিবলৈ ক'লে। হাজাৰ হাজাৰ বাঙালী মুছলমান গৃহহীন হ'ল সেই সময়ত। অসমত পৰি ৰ'ল তেওঁলোকৰ মাইলৰ পাছত মাইলজোৰা ধান খেতি।

নাছিৰ অৱশ্যে বেছ কেবাবছৰ থাকিব পাৰিছিল অসমত। তেওঁৰ নামত চমন আহিল ১৯৬৪ চনত। পুলিচে এদিন অকস্মাতে ক'লেহি যে নাছিৰ আচলতে পাকিস্তানী। নাছিৰে বাৰে বাৰে ক'লে যে তেওঁৰ পৰিয়াল অসমত দেশ বিভাজনৰ আগৰে পৰা আছে। তেতিয়া পাকিস্তান বুলি একোয়েই নাছিল। তথাপি কোনেও নুশুনিলে তেওঁৰ কথা। ৰাতিৰ ভিতৰত চিনাকি গাওখন, নিজৰ খেতি এৰি নাছিৰ গুছি যাবলগীয়া হ'ল সীমান্তৰ সিপাৰৰ মৈমনসিঙলৈ। তেওঁৰ মন অৱশ্যে পৰি ৰ'ল অসমত। বহুদিনলৈ তেওঁক পৰিচয় সুধিলে নাছিৰে অসমীয়া ভাষাত কৈছিল যে তেওঁ ভাৰতীয়ও নহয়, পাকিস্তানীও নহয়, তেওঁ অসমীয়া। অসমৰ মাটিয়েই তেওঁৰ দেশ। ভাৰত – পাকিস্তানৰ ডাঙৰ পৰিচয়ৰ প্ৰতি তেওঁৰ আগ্ৰহ নছিল। তেনেদৰে হিন্দু মুছলমানৰ পৰিচয়ৰ অংকতো তেওঁ মূৰ ঘমাব বিচৰা নাছিল। এই পৰিচয়ৰ যুঁজৰ বাবেই নাছিৰে তেওঁৰ অসমৰ ঘৰ আৰু হেপাহৰ ধান খেতি এৰি গুছি আহিবলগা হৈছিল মৈমনসিঙলৈ। মাজে মাজে তেওঁ খোজকাঢ়ি গুছি গৈছিল সীমান্তলৈ। অসমৰ ধাননিৰ ফালে চাই চকু সেমেকি উঠিছিল তেওঁৰ। ধানৰ সুবাসত মনত পৰি গৈছিল দেশ এৰাৰ ভীষণ দুখ। অসমত কিন্তু আজিও কোন বিদেশী কোন স্বদেশী তাৰ বিতৰ্ক শেষ

হোৱা নাই। মাজে মাজে অসমৰ পুলিচে দুখীয়া  মানুহক বিদেশী বুলি ধৰি –বান্ধি লৈ যায়। এই দুখীয়া মানুহবোৰৰ মাজত হিন্দু – মুছলমান দুয়ো ধৰ্মৰে মানুহ আছে। পিছে এইবোৰ কথা তোমালোকে জানিব পাৰিবা পৰৱৰ্তী দুখন কিতাপত। মই দেশ বিভাজনৰ অন্য কিছু কাহিনী কও। অসম আৰু পঞ্জাৱৰ কথা হ'ল, এইবাৰ বংগৰ কথা কও।




হাট বজাৰ

## (৫) বীথি বাইদেউৰ কথা

বীথিৰ কথাকে কওঁ। ১৯৩৩ চনৰ মাৰ্চ মাহত মৈমনসিঙৰ এক ডাঙৰ জমিদাৰৰ ঘৰত তাইৰ জন্ম। প্ৰকাণ্ড আছিল সিহঁতৰ ঘৰ, মাটি বাৰী বহুত। বীথি আছিল ঘৰৰ ডাঙৰ জীয়ৰী। বহুতো ভাই ভনী, বন্ধু – বান্ধৱ লৈ ভালেই চলিছিল বীথিৰ দিনবোৰ। কাষতে আছিল স্কুল। পঢ়া- শুনাও চলিছিল ভালদৰে। কিন্তু দেশ বিভাজনৰ সময়ত ওলট পালট হৈ গ'ল বীথিহঁতৰ জীৱন। সেই কাহিনীকে ক'ব ওলাইছো তোমালোকক।

১৯৪৭ চনত যেতিয়া কলিকতা, নোৱাখালি আৰু বিহাৰত হিন্দু – মুছলমানৰ মাজত ভীষণ মাৰপিট, তেতিয়া বীথিহঁতৰ গাঁৱতো নানান গুজৱ ওলাল। সকলোতে সংঘৰ্ষৰ ভয়। বন্ধ হ'ল বীথিহঁতৰ স্কুল যোৱা, গাঁৱত ফুৰিবলৈ যোৱা। কিজানি দুষ্ট মুছলমানে ধৰি লৈ যায়! ছোৱালীবোৰক লৈ কিমান দু:শ্চিন্তা তেওঁলোকৰ! প্ৰথমতে, সিহঁতে যুঁজ কৰি দুষ্ট মুছলমানবোৰৰ লগত জিকিব পাৰিব জানো। তাৰ উপৰিও হিন্দু ছোৱালীক মুছলমান গুণ্ডাই বা মুছলমান ছোৱালীক হিন্দু গুণ্ডাই ধৰি লৈ গ'লে মান – সন্মান সকলো যাব – সেই ভয়ো আছিল সকলোৰে। আমাৰ সমাজ চিৰকালেই এচকুৱা। ছোৱালীবোৰৰ ক্ষেত্ৰতহে সকলো নিয়ম কানুন, ৰঙা চকু। ঘৰ – চুবুৰী-সমাজ সকলোৰে মান – সন্মান সকলোবোৰ বচোৱাৰ

দায়িত্ব যেন কেৱল ছোৱালীবোৰৰহে। ল'ৰাবোৰৰ সাত খুন মাফ!পিছে এই কথাও সত্য যে সংঘৰ্ষ – মাৰপিটৰ সময়ত এক ধৰ্মৰ ছোৱালীবোৰৰ ওপৰত আন ধৰ্মৰ ল'ৰাবোৰে সুযোগ পালেই জোৰ জুলুম কৰিছিল। ঘৰৰ মানুহেতো ভয় কৰিবই। বীথিৰ ঘৰৰ মানুহবোৰো বীথি আৰু ঘৰৰ আন ছোৱালীবোৰকলৈহে চিন্তিত হৈছিল। ১৯৪৭ চনৰ ডিচেম্বৰ মাহত সেয়ে তেওঁলোকে বীথিক পঠিয়াই দিলে সুদূৰ কলিকতা চহৰলৈ। তাইৰ মোমায়েকৰ ঘৰলৈ। সলনি হৈ গ'ল বীথিৰ দৈনন্দিন জীৱন।

সেইবাৰ বীথি কলিকতাত কেইমাহমান আছিল। গাঁৱৰ ঘৰৰ পৰা খবৰ আহিল যে বৰদেউতাক ভীষণ অসুস্থ। মৈমনসিঙলৈ উভতি গ'ল বীথি। কলিকতাত মুঠেই ভাল লগা নাছিল বীথিৰ।গাঁৱলৈ উভতি গৈ বীথিয়ে ভাবিছিল তাই কলিকতালৈ আকৌ কেতিয়াও উভতি নাযায়। যেতিয়া স্বাধীনতা আহিল, দেশ দুভাগ হ'ল বীথি তেতিয়া মৈমনসিঙত। সিহঁতৰ গাওঁ মোটামুটি শান্ত। কেৱল সিহঁতৰ গাঁৱেই নহয়, দুই বংগতে তেতিয়া সংঘাত-সংঘৰ্ষৰ ঘটনা বহুত কম। পাকিস্তান আৰু ভাৰতৰ নেতাসকলে সেয়ে ক'লে যে পঞ্জাৱত মৰামৰি হৈছে, হিন্দু- মুছলমানৰ দেশ সলনি হৈছে, হওক। বংগৰ বেলিকা তাৰ দৰকাৰ নাই। নেহৰু আৰু আলী জিন্নাই ক'লে যে দুয়ো বংগত হিন্দু- মুছলমান মিলা প্ৰীতিৰে থাকক। কোনেও যেন ঘৰ বাৰী এৰি নতুন সীমাৰ সিফালে নাযায়। বহুতৰ দৰে তেতিয়া

বীথিহঁতো থাকি গ'ল নিজৰ গাঁৱত। কিন্তু ১৯৫০ চনত তাই আকৌ এবাৰ কলিকতালৈ যাব লগীয়া হৈছিল – এইবাৰ কিন্তু স্থায়ীভাৱে, পৰিয়ালৰ সকলোৰে লগত।

এনেকুৱা কি হ'ল ১৯৫০ চনত? উত্তৰ বিচাৰিবলৈ আৰু অলপ পাছলৈ উভতি যাব লাগিব।১৯৪৯ চনৰ ডিচেম্বৰ মাহত হিন্দু – মুছলমানৰ মাজত আকৌ প্ৰচণ্ড মাৰপিট আৰম্ভ হ'ল। গণ্ডগোল লাগিছিল পূৱ পাকিস্তানৰ খুলনা জিলাৰ এখন গাঁৱত। খুব দ্ৰুতগতিত সেয়া বিয়পি পৰিছিল দুই বংগ আৰু অসমৰ বহুত ঠাইত। পূব পাকিস্তানৰ হাজাৰ হাজাৰ হিন্দুয়ে তেতিয়া প্ৰাণ লৈ পলাই গ'ল পশ্চিমবংগ আৰু অসমলৈ। বিপৰীতে ভাৰত এৰি দলে দলে পূৰ্ব বংগলৈ গ'ল মুছলমানসকল। এই মানুহবোৰে বুজি পালে দেশ বিভাজন ১৯৪৭ চনত শেষ হোৱা নাছিল। বৰঞ্চ ১৯৪৯-৫০ চনত তেওঁলোকে নতুনকৈ দেশ বিভাজনৰ অৰ্থ বুজি পালে। বীথিয়ে তাইৰ মাক বাপেক, ভায়েক – ভনীয়েকৰ লগত আকৌ গুছি আহিল কলিকতালৈ। ভৰ্তি হ'ল এই চহৰৰ এখন স্কুলত। চহৰত ঘৰ ভাড়া ল'লে।

কলিকতালৈ আহি ভীষণ দুৰ্দশাত পৰিল বীথিহঁত। তাইৰ বাপেকৰ টান বেমাৰ হ'ল। শেষ হৈ আহিল সমস্ত জমা টকা। বীথিৰ ভায়েক ভনীয়েকবোৰ সৰু সৰু। বীথিহঁতে তেতিয়া খৰচ কমাবলৈ আন এটা ঘৰলৈ গুছি আহিল। অৱশ্যে য'লৈ আহিল, সেয়া প্ৰকৃততে ঘৰ নাছিল,

আছিল এটা গোহালিঘৰ।  পানী নাছিল, নাছিল খিৰিকী। ঘোপমৰা ঘৰটোত আধাপেটীকৈ খাই হ'লেও বীথিয়ে পঢ়া – শুনা চলাই গৈছিল। কলেজৰ পঢ়া- শুনা শেষ হোৱাৰ পাছতেই তাই লৈছিল স্কুলৰ শিক্ষয়ত্ৰীৰ চাকৰি। ঘৰৰ সকলো দায়িত্ব নিজৰ কান্ধত তুলি লৈছিল বীথিয়ে।

দেশ বিভাজন নোহোৱা হ'লে হয়তো বীতিৰ জীৱন অন্য ধৰণৰ হ'লহেঁতেন। কেৱল বীথি কিয়, বহু ছোৱালীৰ জীৱন হ'লহেঁতেন একেবাৰে বেলেগ। দেশ বিভাজনৰ আগতে খুউব কম ছোৱালীয়ে চাকৰি কৰিছিল। তেতিয়া ভবা হৈছিল যে চাকৰি কৰাটো ল'ৰাবোৰৰ কাম। ছোৱালীৰ কাম হ'ল সংসাৰ চম্ভালা। এই চিন্তাটোক একেবাৰে সলাই দিলে দেশ বিভাজনে। নতুন দেশত আহি যেতিয়া টকা পইচাৰ বহুত অসুবিধাৰ সন্মুখীন হ'ল, এটা সমস্যা শেষ নহোতেই আন এটা সমস্যা আহি পৰে , তেতিয়া সকলোৱে বুজিলে যে ঘৰৰ ছোৱালীবোৰেও চাকৰি এটা কৰা উচিত। সেয়ে খুউব অভাবৰ মাজতো ঘৰৰ ছোৱালীবোৰৰ পঢ়া- শুনাত মন দিছিল পূৰ্ব বংগৰ পৰা অহা অভিভাৱকসকলে। তাৰ পাছত এই ছোৱালীবোৰেই নাৰ্ছ, স্কুলৰ শিক্ষয়ত্ৰী, টেলিফোন অফিচৰ কেৰাণী হৈ পৰিয়াল চম্ভালিছিল।

হাজাৰ অসুবিধা দুখৰ মাজতো কিন্তু দেশ বিভাজনে বীথিৰ দৰে ছোৱালীবোৰৰ জীৱনত

এফাঁলি ৰ'দ লৈ হাজিৰ হৈছিল। দেশবিভাজনে এফালে চাবলৈ গ'লে বহু ছোৱালীক গাঁৱৰ পৰা চহৰত বা ঘৰৰ ভিতৰৰ পৰা অফিচ কাছাৰীলৈ পোৱাই দিছিল। ল'ৰা – ছোৱালীৰ মাজত যে পাৰ্থক্য নাই, সকলোৱে চাকৰি কৰিব পাৰে, পৰিয়ালৰ দায়িত্ব ল'ব পাৰে, লিখা –পঢ়াত সমানে ভাল হ'ব পাৰে, সেয়া বীথিৰ দৰে পৰিয়ালত হয়তো দেশ বিভাজন নহ'লে কোনেও বুজিবই নোৱাৰিলেহেঁতেন।





## (৬) সমুদ্ৰ যাত্ৰা

ভাৰতৰ ভাৰতৰ পশ্চিমত আছে আৰৱ সাগৰ। পূৱ দিশত বংগোপসাগৰ। আকৌ দক্ষিনে ভাৰত মহাসাগৰ। এই বংগোপসাগৰত আছে অনেক দ্বীপপুঞ্জ। সেইবোৰক একেলগে কোৱা হয় আন্দামান নিকোবৰ দ্বীপপুঞ্জ। এইবোৰ দ্বীপক লৈ আছে নানা গল্প- গুজৱ। বিৰাট জংঘল হেনো ইয়াত, হিংস্ৰ মানুহৰ বসবাস আৰু আছে ভয়ানক জীৱ জন্তুবোৰ। তোমালোক হয়তো কোনোবা কোনোবা ফুৰিবলৈ গৈছা আন্দামানলৈ। আচলতে দেখিছা কিমান সুন্দৰ সেই ঠাই। তাত আছে নীলা সাগৰ, পৰিষ্কাৰ আকাশ, জংঘল – পাহাৰ। ইতিহাসৰ পাতত হয়তো পঢ়িছা আন্দামানৰ চেলুলাৰ জেইলৰ কথা। ইয়াত বৃটিছ যুগত বন্দী কৰি ৰখা হৈছিল ডাঙৰ ডাঙৰ স্বাধীনতা সংগ্ৰামীসকলক। কিন্তু তোমালোকে জানানে ইয়াৰে কেইটামান দ্বীপৰ ইতিহাস জড়িত হৈ আছে দেশ বিভাজনৰ সৈতে।

দেশবিভাজনৰ পাছত যেতিয়া বহু হিন্দু পৰিয়ালে পূৰ্ব বংগ এৰি পশ্চিমবংগত থিতাপি ল'লে, তেতিয়া এই ৰাজ্যৰ চৰকাৰ বিৰাট চিন্তাত পৰিল। ইমানবোৰ মানুহ থাকিবই বা ক'ত, খাবই বা কি – এই কথা ভাবি চৰকাৰ চিন্তিত হৈ পৰিল। পিছে এওলোকৰ বহুতেই নিজৰ ব্যৱস্থা নিজেই কৰি লৈছিল। আশ্ৰয় লৈছিল আত্মীয় স্বজনৰ ঘৰত। বহুতেই দল বান্ধি দখল কৰিছিল কলিকতা বা তাৰ ওচৰে পাজৰে থকা খালী মাটি। সেই মাটিয়েই ভগাই মেলি থাকিবলৈ আৰম্ভ কৰিছিল তেওঁলোকে। তৰ্জাৰ ঘৰ নিৰ্মান কৰিছিল। গঢ়ি তুলিছিল স্কুল, বজাৰ, চিকিৎসা

কেন্দ্ৰ। এই মানুহবোৰক কোৱা হৈছিল শৰণাৰ্থী  আৰু বসতিবোৰক কোৱা হৈছিল শৰণাৰ্থী কলনী। শৰণাৰ্থী  হ'ল এনেকুৱা কোনোবা যাক উৎখাত কৰা হৈছে বা জোৰকৈ আঁতৰোৱা হৈছে তেওঁলোকৰ বাসস্থানৰ পৰা।

কলনীত ঠাই নোপোৱা, চা চিনাকি নথকা, টকা পইচা বা চাকৰি নোপোৱা  শৰণাৰ্থী আছিল অজস্ৰ। চৰকাৰী সাহায্যই আছিল তেওঁলোকৰ ভৰষা। ৰাজ্যৰ নানান ঠাইত থকা চৰকাৰী শিবিৰত, শিয়ালদহ ষ্টেচনত, ফুটপাথত আৰু মুকলি আকাশৰ তলত তেওঁলোক থাকিব লগা হৈছিল  মাহৰ পাছত মাহ। ৰাজ্যৰ চৰকাৰে তেওঁলোকক অকনমান ঠাই যোগাৰ কৰি দিব, হাতত কিবা কাম দিব, খোৱাৰ কিবা ব্যৱস্থা কৰিব – এইখিনিয়েই আছিল তেওঁলোকৰ আশা। তেওঁলোকৰতো নিশ্চয় সেই আশা থাকিবই পাৰে। তেওঁলোকেতো আৰু দেশ বিভাজন কৰা নাই। তাৰ পাছত যিমান অশান্তি,মাৰপিট আৰু সংঘৰ্ষ। দুই দেশৰ চৰকাৰেও সেই সংঘৰ্ষ ৰখাব পৰা নাছিল, তেতিয়াহে এই মানুহবোৰ পলাই আহিবলগা হৈছিল। এতিয়া তেওঁলোকৰ থকা, খোৱা –বোৱা আৰু জীৱন জীৱিকাৰ নিৰাপত্তাৰ দায়িত্বও চৰকাৰৰেই হোৱা  উচিত।

পশ্চিমবংগ চৰকাৰৰ মুৰব্বী তেতিয়া ডাক্তৰ বিধান চন্দ্ৰ ৰায়। এইসকল শৰণাৰ্থীক লৈ তেওঁৰ দু:শ্চিন্তাৰ শেষ নাই। ইমানবোৰ মানুহৰ থকা খোৱাৰ ব্যৱস্থা কৰাটো সহজ কথা নহয়। বহুত খৰচ তাত। লগতে বহুত মানুহৰ বাবে স্থান আৰু মাটিৰ প্ৰয়োজন। বিধান চন্দ্ৰ ৰায়ে ভাবিছিল, সকলো ৰাজ্যই এই বিৰাট দায়িত্ব ভগাই লোৱা উচিত। কিন্তু ভাৰত চৰকাৰ তেতিয়া পঞ্জাৱৰ

শৰণাৰ্থীক লৈ বিপৰ্যস্ত। বংগৰ ফালে চোৱাৰ সময় নাই তেওঁলোকৰ। এনে সময়তে হঠাৎ এটা বুদ্ধি খেলালে বিধান চন্দ্ৰ ৰায়ৰ মূৰত। তেওঁ ক'লে যে আন্দামান দ্বীপলৈ পূৰ্ব বংগৰ পৰা অহা কোনো কোনো লোকক পঠিওৱা হওক। এই দ্বীপবোৰত মানুহ কম, বহুত খালী মাটি, নদী- খাল – সমুদ্ৰ আছে। ইয়াৰ এই শৰণাৰ্থী মানুহবোৰ তালৈ গৈ খেতি কৰি, মাছ ধৰি আৰামত খাই পিন্ধি থাকিব পাৰিব। দিল্লীৰ পৰাও ভাৰত চৰকাৰে সহাঁৰি দিলে এই ব্যৱস্থাত। তেওঁলোকে জানিছিল যে আন্দামানত খেতি বাতি বাঢ়িলে গোটেই দেশৰে মংগল। বিধান চন্দ্ৰ ৰায় আছিল কামৰ মানুহ। মূৰত কিবা চিন্তা অহাৰ লগে লগেই সেয়া তেওঁ কৰি পেলাব বিচাৰে। ১৯৪৯ চনৰ আৰম্ভণিতে বিধান ৰয়ৰ উৎসাহত প্ৰথম শৰণাৰ্থীৰ দল কলিকতাৰ পৰা জাহাজত উঠি গৈ পালে আন্দমান। তেওঁলোক সকলো খেতিয়ক মানুহ, পূৰ্ব বংগত তেওঁলোক ধান মৰাপাটৰ খেতি বাতি কৰি জীৱন নিৰ্বাহ কৰিছিল। আন্দমানত তেওঁলোকক দিয়া হ'ল মাটি, নাঙল, হাল আৰু ধানৰ বীজ। ইয়াৰ পাছত প্ৰতিবছৰে আন্দামানলৈ  সৰু সৰু দলত শৰণাৰ্থী পঠিয়াইছিল পশ্চিমবংগ চৰকাৰে। বাছনি কৰি পঠিওৱা হৈছিল খেতিয়ক, মাছমৰীয়া আৰু কেতিয়াবা মিস্ত্ৰীসকলক। এনে লোককেই আন্দামানলৈ লৈ যোৱা হৈছিল যিসকলে তাত কাম পোৱাৰ সুযোগ আছে।

আমি ভাবিবই পাৰো যে বেচ ভাল উপায় উলিয়াইছিল বিধান চন্দ্ৰ ৰায়ে। মানুহবোৰৰো সুবিধা হ'ল, আন্দামানতো খেতি বাতি বাঢ়িল, পশ্চিমবংগতো ভিৰ কমিল। এই সকলোবোৰ কথাই

সঠিক। কিন্তু কথাবোৰ অলপ বেলেগকৈও ভাবিব পাৰি হয়তো। এই মানুহবোৰে এখন দেশৰ পৰা অন এখন দেশলৈ গৈয়েই শুনিলে যে তেওঁলোকৰ বাবে তাত ঠাই নাই। চৰকাৰে তেওঁলোকৰ বাবে ব্যৱস্থা কৰিছে অজান অচিনাকি দ্বীপত, সাত সমুদ্ৰ তেৰ নদীৰ সিপাৰে। সেই দ্বীপত আছে ঘন হাবি, জীৱ – জন্তু আৰু অচিনাকি মানুহ। সেই দ্বীপত কেৱল চৰকাৰী জাহাজেৰে অহা যোৱা কৰা হয়। সেয়ে তাত গৈ ভাল নালাগিলেও পলাই অহাৰ কোনো ৰাস্তা নাই। এয়া এক প্ৰকাৰৰ বন্দী দশা। পিছে এই বন্দীদশা সকলোৰে বাবে নহয় কিন্তু। কোনো ডাক্তৰ, শিক্ষক, কবিৰাজ, ব্যৱসায়ী বা জমিদাৰক কিন্তু আন্দামানলৈ পঠোৱা হোৱা নাছিল। পঠোৱা হৈছিল কেৱল খাটিখোৱা কৃষক, মাছমৰীয়া, কমাৰ আৰু শিল্পীসকলক। এই দুখীয়া শৰণাৰ্থী সকলৰ প্ৰায় সকলোৱে দলিত সম্প্ৰদায়ৰ আছিল আৰু বৰমানুহ শৰণাৰ্থীসকলৰ প্ৰায় সকলোৱে আছিল সমাজৰ চকুত উচ্চ জাতি। বুজিবই পাৰিছা যে দেশভাগৰ অভিজ্ঞতা সকলোৰে বাবে আছিল বেলেগ। ছোৱালীবোৰৰ একধৰণৰ অভিজ্ঞতা আছিল, দুখীয়া মানুহৰ অভিজ্ঞতা আছিল আনধৰণৰ। পঞ্জাৱ আৰু বংগৰ অভিজ্ঞতা আছিল ভিন ভিন। সেইদৰে জাত- পাতৰ বিচাৰতো দেশ বিভাজনৰ অভিজ্ঞতা আছিল সুকীয়া।

আৰু কেইটামান কথা কৈ থও ইয়াত। কেৱল আন্দামানেই নহয়, দলিত শৰণাৰ্থী খাটিখোৱাসকলক পশ্চিমবংগ চৰকাৰে ভাৰতৰ নানান ঠাইত পঠিয়াইছিল। বিধান চন্দ্ৰ ৰায়ে ভাবিছিল যে শৰণাৰ্থীসকলৰ দায়িত্ব কেৱল পশ্চিমবংগৰ নহয়। উৰিষ্যা, বিহাৰৰ পৰা আৰম্ভ কৰি সুদূৰ উত্তৰ ভাৰত, গুজৰাট, মধ্যপ্ৰদেশ বা দক্ষিণ ভাৰত সকলো ঠাইলৈ শৰণাৰ্থীসকলক

প্ৰেৰণ কৰা হৈছিল। এইবোৰ ঠাইলৈ গৈ উদাস্তুসকল যে ভালে কুশলে আছিল তেনে নহয়। অচিনাকি ঠাই, অচিনাকি ভাষা আৰু কামৰ অভাৱত তেওঁলোকৰ বহুতেই অনেক কষ্ট পাইছিল। কোনোবা কোনোবা পলাই আহিছিল পশ্চিমবংগলৈ। ৰাতি  কটাবলগীয়া হৈছিল ৰাস্তাত বা ৰে'ল ষ্টেচনত। বহুতেই আকৌ পলাই উভতি গৈছিল পূব পাকিস্তানলৈ। এনেকৈ দেশ বিভাজনে এই মানুহবোৰক ঠেলি লৈ গৈছিল এঠাইৰ পৰা আন ঠাইলৈ, তাৰ পৰা আৰু আন কৰবালৈ।

থিতাপি লওতেই পাৰ হৈ গৈছিল বহু বছৰ। এওঁলোকৰ জীৱনত দেশ বিভাজনৰ আৰম্ভণি ১৯৪৭ চন ঠিকেই কিন্তু শেষ যেন প্ৰত্যেকৰে বেলেগ বেলেগ সময়ত। আৰু কি আচৰিত মনৰ জোৰ এই মানুহবোৰৰ ! যুঁজ এৰি দিয়া নাছিল কেতিয়াও। বিচাৰি ফুৰিছিল ক'ত কামৰ সুযোগ আছে, আছে মূৰ গুজিব পৰা ঠাই আৰু দুমুঠি ভাত।

ইতিহাসত দেখোন ৰজা – বাদছাহৰ নামেই আমি পঢ়ো আৰু পঢ়ো নেতাসকলৰ নাম। কিন্তু এই অজানা অচিনাকি মানুহবোৰৰ প্ৰতিদিনৰ কষ্ট, যুঁজ আৰু আনন্দও একেধৰণৰেই মনত ৰখাটো জৰুৰী। দেশ বিভাজনৰ ইতিহাস কোনোবাই জানিব বিচাৰিলে তোমালোকে ৰেডক্লিফ চাহাবৰ নাম অৱশ্যেই ক'বা। ক'বা জিন্না অৰু নেহৰুৰ কথাও। কিন্তু তাৰ লগে লগে দেশৰাজ, নাছিৰ, বীথি বা আন্দামানৰ মানুহবোৰৰ কথাও ক'বলৈ নাপাহৰা যেন। আৰু জয়মনিতো আছেই। এওঁলোক সকলোৰে কাহিনী টুকুৰা টুকুৰকৈ বিয়পি আছে দেশবিভাজনৰ ইতিহাসত।



## (৭) শেষকথা

তোমালোকে হয়তো ভাবিছা এইবোৰ কাহিনী মই ক'ৰ পৰা গম পালো? সাজি সাজি কোৱা নাইতো? মুঠেও নহয়। এই সকলোবোৰ কাহিনীয়ে একেবাৰে সঁচা ঘটনা। চৰকাৰী কাগজপত্ৰ চাই মেলি আৰু ইতিহাসৰ পণ্ডিতসকলৰ লিখা পঢ়ি মই এইবোৰ জানিব পাৰিছো। জয়মনি হাতীৰ কথা পঢ়িছো বাংলাদেশৰ চৰকাৰী অভিলেখাগাৰত। চৰকাৰী অভিলেখাগাৰ বা গভৰ্ণমেন্ট আৰ্কাইভ হ'ল এটা অফিচ, য'ত চৰকাৰী বিভাগৰ সকলো পুৰণি কাগজপত্ৰ, ফাইল জমা ৰখা হয়। ইতিহাসক লৈ যি বহুত বেছি পঢ়া – শুনা কৰি কিতাপপত্ৰ লিখে তেওঁলোকক এই ফাইলসমূহ চাবলৈ দিয়া হয়। ফাইলৰ নম্বৰটোও তোমালোকক কৈ থও – F.no.3c1-6/1949 ; political branch, confidential report (CR),'B' proceedings, Bundle no.2, List no 119। কোনোবাদিনা যদি ইতিহাস পঢ়ি বাংলাদেশৰ অভিলেখাগাৰত গৈ কাগজ পত্ৰ খুলি চোৱা, এই ফাইলটো বিচাৰি জয়মনিৰ কাহিনীটো মিলাই চাব পাৰিবা। দেশৰাজৰ কাহিনীটো মই বিচাৰি পাইছো বেলেগ এক অভিলেখাগাৰত। তাৰ নাম –১৯৪৭: পাৰ্টিশ্যন আৰ্কাইভ। ইয়াত আছে দহ হাজাৰতকৈ অধিক এনে মানুহৰ সাক্ষাৎকাৰ, যিয়ে দেশ বিভাজন দেখিছে, দেশ বিভাজনৰ ফলত এঠাইৰ পৰা আন ঠাইলৈ গৈ সংসাৰ আৰম্ভ কৰিছে। এই সাক্ষাৎকাৰৰ অকনমান তোমালোকেও পঢ়িব পাৰা এই ৱেবচাইটলৈ গৈ –

http://in.1947pertitionarchive.org। পিছে গোটেইখিনি পঢ়িব বা শুনিবলৈ গ'লে

তোমালোক আৰু অলপ ডাঙৰ হ'ব লাগিব। কলেজ, বিশ্ববিদ্যালয়ৰ সীমা অতিক্রম কৰিব লাগিব। বীথিৰ কথা আৰু নাছিৰৰ কথা মই পঢ়িছো দুজনৰ লিখনিত। গাৰ্গী চক্ৰৱৰ্তী নামৰ এজন ইতিহাসবিদ আছে। তেখেতৰ কিতাপ Coming out of pertition : Refugee women in Bengal ত পাবা বীথিৰ কাহিনী। মালিনী শূৰ নামৰ আৰু এগৰাকী সমাজবিজ্ঞানী আছে, তেওঁ কাম কৰে ভাৰত – বাংলাদেশ বৰ্ডাৰৰ কাষত থকা মানুহবোৰক লৈ। তেখেতৰ ২০১৬ চনত প্ৰকাশ পোৱা এটা লিখা –Battles for the golden grain:Paddy soldiers and the making of north-east India-East Pakistan border,1930-1970 পঢ়িলে নাছিৰৰ কথাও জানিব পাৰিবা তোমালোকে। ইয়াৰ বাহিৰেও আৰু কিছু কিতাপ পত্ৰ মই পঢ়িবলগা হৈছে। এক দুইকৈ ইয়াৰ তালিকা কৰি দিও ৰ'বা –

ক) হৈমন্তী ৰায়ে লিখা –The partition of India : Oxford India short introduction (২০১৮)

খ) উদিতি সেনে লিখা – Citizen refugee : Forgoing the nation after partition(২০১৮)

গ) আবুল মনছুৰ আহমেদৰ আত্মজীৱনী- 'আমাৰ দেখা ৰাজনীতিৰ পঞ্চাশ বছৰ "(১৯৬৯)

ঘ) অশোক মিত্ৰৰ আত্মজীৱনী- তিনি কুড়ি দশ (১৯৫৯)

এই কিতাপখন লিখাৰ ক্ষেত্ৰত আমাক বিভিন্ন ধৰনে সহায় কৰিছে অচিন চক্ৰৱৰ্তী, সুভাষ ৰঞ্জন চক্ৰৱৰ্তী, মানবী মজুমদাৰ, ৰাজৰ্ষি দাসগুপ্ত, সেমন্তী ঘোষ, সাবিৰ আহমেদ, কৃত্তিকা সেনগুপ্ত, তনিকা সৰকাৰ, শেখৰ বন্দোপাধ্যায়, নন্দিনী ঘোষ, প্ৰিয়ংকৰ দে, উপনীতা মুখাৰ্জি, অশোকেন্দু সেনগুপ্ত, অৰ্পিতা সেনগুপ্ত, সুপূৰ্ণা মুখাৰ্জি, কৌস্তুভমনি সেনগুপ্ত, অমিতাভ গুপ্ত, সৌভিক বন্দোপাধ্যায়, পাৰমিতা চক্ৰৱৰ্তী, মধুমিতা বসু, মালিনী মুখাৰ্জি, ঐষিক চেটাৰ্জী, সুব্ৰত মুখাৰ্জি, আৰশি পাৰভিন গুপ্ত, ৰাইশা মাহমুদ, মোহৰ সেনগুপ্ত, ঐশী দত্ত, ৰূপকথা, তিস্তা দাস, দেবাৰতি বাগচীয়ে। এওঁলোকে খচৰা লিখা পঢ়ি ক'ত কি কথা কোৱাৰ দৰকাৰ, কি কি ভুল হৈছে সেইবোৰ আঙুলিয়াই দিছিল। আটাইলৈ আন্তৰিক ধন্যবাদ।

## লেখক আৰু শিল্পী পৰিচয়

এই এই কিতাপখন লিখিছে অন্বেষা সেনগুপ্তই। অন্বেষাই ইন্সটিটিউট অৱ ডেভ'লপমেণ্ট ষ্টাডিজ, কলকাতাত ইতিহাস পঢ়ুৱায়।

কিতাপখনৰ চিত্ৰ পৰিকল্পনা, প্ৰচ্ছদ ৰাছিম হেলালৰ। তেওঁ পেছাত এজন গ্ৰাফিক ডিজাইনাৰ। নানান দেশী বিদেশী প্ৰকাশন সংস্থাৰ সৈতে ৰাছিমে ছবি, প্ৰচ্ছদ আৰু চিত্ৰ পৰিকল্পনাৰ কাম কৰিছে ।

কিতাপখনৰ ছবি আঁকিছে ৰঞ্জিত চিত্ৰকৰ আৰু চিৰাজউদ্দৌলা চিত্ৰকৰে। তেওঁলোক বংশ পৰম্পৰা অনুসৰি পটশিল্পী। পশ্চিম মেদিনীপুৰ জিলাৰ পিংলা থানাৰ নয়া গ্ৰামৰ পৰা কাম কৰে ৰঞ্জিত আৰু চিৰাজউদ্দৌলাই। পটশিল্পৰ ঐতিহ্য অনুসৰি, তেওঁলোকে মূলতঃ হিন্দু দেৱ দেৱীৰ আখ্যান আঁকে আৰু তাক লৈ গান ৰচনা কৰে। এতিয়া তেওঁলোকে অন্যান্য বিষয় লৈও পট তৈয়াৰ কৰে। পটচিত্ৰ বাংলাৰ ধৰ্মীয় ঐতিহ্যৰ প্ৰমান। পটশিল্পীসকল ইছলাম ধৰ্মৰ হ'লেও তেওঁলোকে মূলতঃ হিন্দু ধৰ্মক কেন্দ্ৰ কৰি ছবি আঁকে আৰু গান ৰচনা কৰে। কেৱল সেয়াই নহয়, তেওঁলোকৰ নিজস্ব সামাজিক আখ্যান অনুসৰি, তেওঁলোক হিন্দু দেৱতা বিশ্বকৰ্মাৰ বংশধৰ। এইদৰে তেওঁলোকৰ জীৱন আৰু কামত ইছলাম আৰু হিন্দু ধৰ্ম সংপৃক্ত  হৈ আছে।

The **Institute of Development Studies Kolkata (IDSK)** was set up in 2002 by the Government of West Bengal as an autonomous centre of excellence in social sciences. It is a society with an autonomous governing body with eminent scholars and Government's nominees. IDSK is recognized for its advanced academic research and informed policy advice in the areas of literacy, education, health, gender, employment, technology, communication, human sciences and economic development. The academic programmes at IDSK include MPhil (2006-2022) and PhD in social sciences and short training courses for research scholars. It offers state-of-the-art IT and library facilities to its students and research scholars. It is fully funded by the Government of West Bengal. IDSK has been recognized by the ICSSR under the category of "ICSSR Recognized Research Institutes".

The **Rosa Luxemburg Stiftung (RLS)** is a German political foundation that is part of the democratic socialist movement. True to the legacy of its namesake Rosa Luxemburg (1871-1919), it stands in solidarity with the workers' and women's rights movements. the organization serves as a forum for debate and critical thinking about political alternatives, as well as research centre for social development. The RLS has close ties to the German party DIE LINKE. RLS provides political education and a centre for advanced social research in both Germany and throughout the world. RLS is one of six party-affiliated political foundations in Germany; it supports partners in over 80 countries striving for social justice, strengthening public participation, and social ecological development.

চকু কান সজাগ কৰি ৰাখি ইতিহাস কেনেকৈ শিকিব পাৰি? ইতিহাস সচেতন বুলি কাক কোৱা হয়? এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি পাবলৈ 'ইতিহাসৰ আদিপাঠ' চিৰিজৰ কথা ভাবিবা। একোখন কিতাপ একো একোটা বিষয়ক লৈ লিখা। লিখাৰ লগতে আছে শিল্পীসকলে অঁকা ছবি, পটচিত্ৰ। ইতিহাসৰ ভিন্ন সময়, নানান জটিল ধাৰণা সহজভাৱে বুজোৱাই কোৱাটোৱেই এই কিতাপকেইখনৰ উদ্দেশ্য। কিতাপকেইখন পঢ়ি কণমানিসকলে প্ৰশ্ন কৰিবলৈ শিকিব – এইটোৱেই আমাৰ আশা।

IDSK

ROSA LUXEMBURG STIFTUNG
SOUTH ASIA